Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MARCH 24, 2025 ■ সোমবাৰ, ১০ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮৬ Guwahati, Assam ।। মূল্যঃ এটকা

## দোষমুক্ত হ'ল সুশান্তৰ প্ৰেয়সী

# মিডিয়াই 'শাস্তি' দিয়া ৰিয়াক ক্লীন চিট



মুম্বাই, ২৩ মাৰ্চঃ ২০২০ চনৰ জুন মাহত প্ৰেমিক সুশান্ত সিং ৰাজপুতৰ আকস্মিক মৃত্যুৰ পিছত সংবাদ মাধ্যমৰ চৰ্চাৰ কেন্দ্ৰবিন্দু ৫ পৃষ্ঠাত চাওক



খুন্দনা ভৰাই লৈ কথাবোৰ খুন্দি খুন্দি তিনি সখীৰ বাৰ্ধক্য যাপন, ফটোঃ ডলী তালুকদাৰ

# দিনবোৰ সুন্দৰ হওক

■ ডঃ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

আপোনাৰ কেতিয়াবা এনে দিন আহিছেনে, যিদিনা বেৰত মূৰ আফলিয়াই ভাগ্যক ধিয়াবলৈ মন যায়? সাৰ শেষাংশ ৯ পৃষ্ঠাত

## ভূপেন বৰাৰ মন্তব্য

# 'জয়ন্তৰ ভয়ত পাৰ্টি অফিচলৈ অহা নাছিল ৰাজেন গোঁহাই'



ই-সংবাদ, ২৩ মাৰ্চঃ ৰূপজ্যোতি কুৰ্মীৰ সদন কাণ্ড, ৰাজেন গোহাঁইৰ ৰাজিক ৩ পৃষ্ঠাত চাওক


## চৰকাৰী শিক্ষা ব্যৱস্থাক লাহে লাহে ধ্বংসৰ ব্লু প্ৰিণ্ট হিমন্ত চৰকাৰৰ!

# অমৃত কালত বন্ধ ৰাজ্যৰ ৭,৬৬৮ খন চৰকাৰী শিক্ষানুষ্ঠান

## বিদ্যালয়ৰ মাটিত খেয়াল-খুচিমতে চলিব কাম

● চৰকাৰে বন্ধ কৰা ৬,৪৫৪ খন বিদ্যালয়ৰ মাটি জিলা আয়ুক্তৰ হাতত তুলি দিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই

ই-সংবাদ, ২৩ মাৰ্চঃ ৰাজ্যৰ শিক্ষাখণ্ডৰ উন্নতিৰ বাবে বিজেপি শাসিত চৰকাৰে ৯ বছৰে কি কৰিলে সেয়া ওলাই পৰিছে অসম বিধানসভাৰ চলিত অধিৱেশনতে। এখনৰ পাছত এখনকৈ বিজেপি চৰকাৰে কিমান চৰকাৰী শেষাংশ ২ পৃষ্ঠাত



# তিৰা বুৰঞ্জী প্ৰকাশৰ আহ্বান মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ২৩ মাৰ্চঃ আজি মৰিগাঁৱৰ ঔজাৰিত জেমন চন্দ্ৰ বৰদলৈ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত শেষাংশ ৫ পৃষ্ঠাত

# পত্নীক হত্যা সেনা জোৱানৰ! বকোত চাঞ্চল্য

ই-সংবাদ, ২৩ মাৰ্চঃ পত্নীক ডিঙি চেপি হত্যা কৰি দুৰ্ঘটনাৰ ৰূপ দিবলৈ চেষ্টা কৰাৰ ২ পৃষ্ঠাত চাওক



## বাসগৃহত জাপে জাপে টকা উদ্ধাৰৰ ঘটনা

# ছুপ্ৰিম ক'ৰ্টে তদন্ত কৰিব ন্যায়াধীশ যশৱন্তৰ

নতুন দিল্লী, ২৩ মাৰ্চঃ দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ নগদ ধন উদ্ধাৰৰ গোচৰত এক নতুন মোৰ! ভাৰতৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ কাৰ্যালয়ৰ নিৰ্দেশত মুকলি কৰা হৈছে বাসগৃহৰ ভিতৰৰ প্ৰথম ছবি। ভিডিঅ'ত স্পষ্টকৈ শেষাংশ ৪ পৃষ্ঠাত

## পেপাৰ লিকক লৈ সোচ্চাৰ বেদব্ৰত

# ৰমেশ-পেগুৰ হাতত ধ্বংস শিক্ষাৰ্থীৰ ভৱিষ্যত

ই-সংবাদ, ২৩ মাৰ্চঃ ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা অসম ৰাজিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ শেষাংশ ৪ পৃষ্ঠাত



# ভাৰতীয় মূলৰ পিতা-পুত্ৰীক বিদেশত হত্যা

নিউয়ৰ্ক, ২৩ মাৰ্চঃ আমেৰিকাৰ ভাৰ্জিনিয়া প্ৰদেশত গুলীয়াই হত্যা কৰা হ'ল শেষাংশ ৩ পৃষ্ঠাত

# অডিঅ' সত্য হ'লে কিডাল হ'ব, ৰাজনৈতিক দলে টকা বিচাৰেইঃ মনোৰঞ্জন

ই-সংবাদ, ২৩ মাৰ্চঃ সৰ্বহাৰাৰ ৰাজনীতি কৰি চিপিআইএমৰ সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে চিণ্ডিকেট চক্ৰৰ পৰা ধন বিচৰাৰ অভিযোগক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এটা ভাইৰেল হোৱা অডিঅ'ত শেষাংশ ৩ পৃষ্ঠাত

# শিলচৰ মেডিকেলত ছিণ্ডিকেটৰাজ! জালত দালাল



শিলচৰ, ২৩ মাৰ্চঃ ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়ত চলে নেকি ঔষধৰ চিণ্ডিকেট? এই প্ৰশ্ন বাৰুকৈয়ে উত্থাপন হ'বলৈ ধৰিছে। চৰকাৰী চিকিৎসালয়ৰ শেষাংশ ৫ পৃষ্ঠাত



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পত্নীক হত্যা সেনা জোৱানৰ! বকোত

অভিযোগ উত্থাপন হৈছে এগৰাকী সেনা জোৱানৰ বিৰুদ্ধে। এই চাঞ্চল্যকৰ ঘটনাই জোকাৰি গৈছে সমগ্ৰ অসম। আৰক্ষীৰ সূত্ৰ অনুসৰি ধৃত অভিযুক্তৰ নাম খাইৰুল ইছলাম। জেৰাৰ সময়ত তেওঁ পত্নী ছালেহা বেগমক হত্যা কৰাৰ কথা স্বীকাৰ কৰে। দেওবাৰে পুৱা গোৱালপাৰাৰ পঞ্চৰত্ন অঞ্চলত এখন গাড়ীৰ চালকৰ আসনত তেওঁৰ নিথৰ মৃতদেহ উদ্ধাৰ হয়। গাড়ীখনৰ নম্বৰ আছিল এএছ ০১ এফটি ৯৩৮৪। মৃত ছালেহা বেগম কামৰূপ জিলাৰ বাকোৰ বাসিন্দা আছিল। গাড়ীৰ ভিতৰত উদ্ধাৰ হোৱা পেন কাৰ্ডৰ ভিত্তিত তেওঁৰ পৰিচয় নিশ্চিত কৰা হয়। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে। ঘটনা সন্দৰ্ভত জানিবলৈ দি সহকাৰী আৰক্ষী আয়ুক্ত নীলোৎপল শইকীয়াই কয় যে প্ৰথম অৱস্থাত আৰক্ষীৰ টহলদাৰী দলে গাড়ীখন সন্দেহজনকভাৱে দেখা পাইছিল। পিছত বিতং তদন্তত চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহে। শনিবাৰে নিশা প্ৰায় ৯:৪০ বজাত ছালেহাৰ ভাতৃয়ে তেওঁৰ স্বামী খাইৰুল ইছলাম, দেওৰেক ইনজামুল আৰু তেওঁলোকৰ এজন সহযোগী জেহেৰ আলীয়ে বলপূৰ্বকভাৱে লৈ যোৱা বুলি আৰক্ষীত এজাহাৰ দাখিল কৰে। ইয়াৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। জেৰাত এই হত্যাকাণ্ডৰ মূল কাৰণ সম্পত্তিক লৈ বৈবাহিক বিবাদ বুলি জানিব পৰা গৈছে। খাইৰুল ইছলাম এজন সেনা জোৱান। এয়া আছিল তেওঁৰ দ্বিতীয় বিবাহ। আৰক্ষীৰ দাবী, খাইৰুলে খং কৰিছিল কাৰণ তেওঁৰ পত্নী ছালেহা বেগমে ধন অপচয় কৰি আছিল আৰু শেহতীয়াকৈ এখন গাড়ী কিনিছিল। তদুপৰি নগাঁৰৰ আন এগৰাকী মহিলাৰ সৈতে তেওঁৰ প্ৰেমৰ সম্পৰ্ক আছিল, যাৰ বাবে পত্নীৰ সৈতে যথেষ্ট উত্তেজনা সৃষ্টি হৈছিল। তদন্তত আৰু জানিব পৰা গৈছে যে খাইৰুল আৰু তেওঁৰ ভাতৃ ইনজামুলে চতুৰতাৰে ছালেহাক গোৱালপাৰালৈ নিয়াৰ অজুহাতত গাড়ীত বহুৱাই ফান্দ পাতিছিল। গাড়ী চলি থকাৰ সময়তে গামোচাৰে ডিঙি চেপি হত্যা কৰে। তাৰ পিছত এই ঘটনাক দুৰ্ঘটনাৰ ৰূপ দিয়াৰ চেষ্টা কৰে। ইফালে হত্যাকাণ্ডৰ অন্তত অভিযুক্তই লখৰাৰ ভাৰ্গৰ হোটেলত আত্মগোপন কৰে। আৰক্ষীৰ তদন্তৰ সময়ত তেওঁলোকৰ স্থান চিনাক্ত কৰি তাৰ পৰাই তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অমৃত কালত বন্ধ ৰাজ্যৰ ৭,৬৬৮ খন

স্কুল বন্ধ কৰিলে, সেই তথ্যই চকু কপালত তুলিছে সচেতন লোকৰ। কেইবাটাও ভিন ভিন প্ৰশ্নৰ উত্তৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্পষ্ট কৰে যে ২০১৪ চনৰ পৰা ২০২৫ চনলৈকে ৭,৬৬৮খন চৰকাৰী বিদ্যালয় বিভিন্ন কাৰণত বন্ধ হৈ পৰিছে। এইসমূহৰ ভিতৰত ৬,৪৫৪ খন বিদ্যালয় কেৱল একত্ৰীকৰণৰ বাবেই বন্ধ হৈ পৰিছে। এই বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী নথকাৰ অভিযোগ আনি বন্ধ কৰিছিল বিজেপি শাসিত চৰকাৰে। তৎস্বত্বেও ছাত্ৰ-ছাত্ৰী বৃদ্ধি পালে এই বিদ্যালয়বোৰ পুনৰ আৰম্ভ হ'ব বুলি আশা পালি আছিল স্থানীয় ৰাইজে। কিন্তু শেহতীয়াকৈ ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা কেবিনেট বৈঠকে এই বিদ্যালয়বোৰ যে কোনো কালেই পুনৰাৰম্ভ নহয়, সেই কথাৰ স্পষ্ট ইংগিত প্ৰদান কৰে। কেবিনেটৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি উল্লেখ কৰে যে একত্ৰীকৰণৰ বাবে বন্ধ হৈ পৰা বিদ্যালয়বোৰৰ মাটি শিক্ষাবিভাগৰ হাতৰ পৰা জিলা আয়ুক্তৰ হাতলৈ গুছি যাব। অৰ্থাৎ এই মাটিত শৈক্ষিক প্ৰতিষ্ঠান পুনৰ আৰম্ভ কৰিব পৰা নাযাব। এই মাটি কোনো স্বেচ্ছাসেৱী সংগঠনে ব্যৱহাৰ কৰিব বিচাৰিলে তাৰ বাবে জিলা আয়ুক্তৰ ওচৰত আবেদন জনাব লাগিব। মন কৰিবলগীয়া যে বন্ধ হৈ যোৱা এই বিদ্যালয়ৰ সকলোবোৰ চৰকাৰৰ প্ৰত্যক্ষ উদ্যোগতেই স্থাপিত হৈছিল তেনে নহয়। সেই অঞ্চলবোৰৰ শিক্ষানুৰাগী ব্যক্তিৰ দশক দশকজোৰা আশুসুধীয়া প্ৰচেষ্টা, ত্যাগ আৰু কষ্টৰ বিনিময়ত প্ৰাণ পাই উঠিছিল তেনে একো একোখন চৰকাৰী বিদ্যালয়ে। আনকি বহু ব্যক্তিয়ে একোখন বিদ্যালয়ৰ বাবে নিজৰ মাটি-ভেঁটি পৰ্যন্ত দান দিয়াৰো উদাহৰণ আছে। তেওঁলোকে সেই মাটি দান দিছিল অঞ্চলটোক শিক্ষাৰ আলোকেৰে পোহৰাবৰ বাবেহে। যিহেতু শিক্ষানুষ্ঠানৰ বাবে দান কৰা মাটিত এতিয়া কোনো বিদ্যালয়েই নাই, সেয়ে সেই মাটি অন্য চৰকাৰী কামত ব্যৱহাৰৰ কৰিবলৈও আনুমতি দিলেও তেনে বহু পৰিয়ালে আপত্তি দৰ্শাব বুলি বিশেষ সূত্ৰত প্ৰকাশ পাইছে। উল্লেখ্য, চলিত বিধানসভাৰ অধিৱেশনত শিক্ষাবিভাগৰ উত্তৰতে ওলাই পৰিছে যে ২০১৫-১৬ বৰ্ষত অসমত মুঠ চৰকাৰী বিদ্যালয়ৰ সংখ্যা আছিল ৫২,২৩২ খন। এই সংখ্যা ২০২৩-২৪ বৰ্ষত হ্ৰাস পাই হ'লগৈ ৪৪,৫৬৪ খন। ইয়াৰ ভিতৰত একত্ৰীকৰণ আৰু অন্য কাৰণত বন্ধ হোৱা বিদ্যালয়সমূহ আছে। এই সময়ছোৱা ৫,২৬৮ খন নিম্ন প্ৰাথমিক বিদ্যালয় আৰু ১২৬ খন উচ্চ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণৰ দ্বাৰা বন্ধ হৈ পৰিছে। কেৱল এয়াই নহয়, ১,০৬০ খন মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ বিদ্যালয়ো একত্ৰীকৰণৰ দ্বাৰা বন্ধ হৈ পৰে। অৰ্থাৎ সৰ্বমুঠ ৬,৪৫৪ খন চৰকাৰী বিদ্যালয় বন্ধ হৈ পৰিল বিজেপিৰ অমৃত কালত। বিদ্যালয় বন্ধ হৈ পৰা উদ্বেগজনক তথ্যৰ সমান্তৰালকৈ ফাদিল হৈছে শিক্ষকৰ অভাৱৰ দিশটোও। ৰাজ্যৰ ৩ খন প্ৰাথমিক বিদ্যালয় শিক্ষকবিহীনভাৱে চলি থকাৰ তথ্য প্ৰকাশ পাইছে খোদ শিক্ষামন্ত্ৰীৰ উত্তৰত। এজনীয়া শিক্ষকৰে চলি আছে ২,২৯৫ খন চৰকাৰী বিদ্যালয়। স্থায়ী প্ৰধান শিক্ষক নোহোৱাকৈও চলি আছে ৭,০১৪ খন চৰকাৰী বিদ্যালয়। যিসময়ত চৰকাৰে উন্নয়নৰ জয়গান গাই আছে, সেই সময়ত খোদ বিধানসভাৰ মজিয়াত বিভাগীয় মন্ত্ৰীয়ে দিয়া এই উত্তৰে স্বাভাৱিকতে চিন্তিত কৰি তুলিছে সচেতন মহলক।

# দেওপাহাৰত বন্যহস্তী হত্যা চোৰাং চিকাৰীৰ, মৃতদেহ উদ্ধাৰ

**গুৱাহাটী, ২৩ মাৰ্চঃ** গুৱাহাটী, ২৩ মাৰ্চঃ ৰাণী সংৰক্ষিত বনাঞ্চলৰ দুৰ্গম দেওপাহাৰ অঞ্চলত আজি উদ্ধাৰ হয় এটা গলি যোৱা বন্যহস্তীৰ মৃতদেহ। হাতীটো প্ৰায় এমাহ পূৰ্বে অবৈধভাৱে হত্যা কৰাৰ সন্দেহ কৰিছে বন বিভাগে। এগৰাকী বন বিষয়াই জানিবলৈ দিয়া মতে, হাতীটোৰ দেহৰ কেইবাটাও অংগ কটা হৈ আছে, যাৰ বাবে হাতীটোক চোৰাং চিকাৰীয়ে হত্যা কৰি অংগ কাটি নিয়াৰ সন্দেহ কৰা হৈছে। স্থানীয় সূত্ৰ অনুসৰি, চোৰাং চিকাৰী হাতীটোক ঘটনাস্থলীত হত্যা কৰি মাংস শুকুৱাই নি বিক্ৰী কৰাৰ আশংকা কৰা হৈছে। বন বিষয়াৰ নেতৃত্বত ৰাণী বন বিভাগৰ এটা দল ঘটনাস্থলীত উপস্থিত হয় আৰু পৰিস্থিতি মূল্যায়ন কৰে। মৃতদেহৰ পৰা নমুনা সংগ্ৰহ কৰা হৈছে, যাতে হাতীটোৰ মৃত্যুৰ সঠিক কাৰণ জানিব পৰা যায়। আনহাতে সেই অঞ্চলতে হাতীটো সৎকাৰ কৰাৰ ব্যৱস্থা কৰা হয়। উল্লেখযোগ্য যে, ৰাণী অঞ্চলত এইধৰণৰ হাতী চিকাৰৰ ঘটনা ইতিপূৰ্বেও ঘটিছে। ঘন জংঘল আৰু অগম্য অঞ্চলৰ বাবেই এই ঠাইত বনৰীয়া জীৱ জন্তুৰ সুৰক্ষা নিশ্চিত কৰাটো প্ৰত্যাহ্বানজনক হৈ আহিছে। বন্যহস্তীৰ মৃত্যুৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। হাতীৰ সুৰক্ষাৰ বাবে পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে ৰাইজে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘জয়ন্তৰ ভয়ত পাৰ্টি অফিচলৈ অহা

কাৰ্যালয়ত প্ৰৱেশৰ কথাক লৈ আজি বিজেপিক কটাক্ষ কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমা বৰাই। বিজেপিক আক্ৰমণ কৰি বৰাই কয় যে বিজেপিৰ নৈতিকতা আমি দেখিছো। বিধানসভাত ষাঁড় গৰুৰ দৰে ইফালে-সিফালে দৌৰি ফুৰিছে। আমাৰ ভাগ্য ভাল। এই বিলাকৰ পৰা মুক্ত হ'লো। মোৰ দিলীপ শইকীয়াৰ প্ৰতি বেয়া লাগিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু দিলীপ শইকীয়াৰ মাজত চলি থকা যুঁজৰ প্ৰসংগ উল্লেখ কৰি বৰাই কয় যে মুখ্যমন্ত্ৰীয়ে হীৰন গোহাঁইক মালটো কৰপৰা টপকিল বুলি কয়। আনহাতে দিলীপ শইকীয়াৰ ছাৰ আমাৰ নমস্য বুলি কয়। দিলীপ শইকীয়াই দাদ ব্ৰিগেদৰ সদস্যক শ্বকজ জাৰি কৰিছে। নোমল মমিনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰিলে। নোমল মমিনে যদি ব্যৱস্থা ল'লেহেঁতেন অধ্যক্ষৰ চকীৰ গ'লহেঁতেন। মুখ্যমন্ত্ৰীয়ে ক্ৰছ কাৰেণ্টক বেয়া বুলি কয়। শইকীয়াই ক্ৰছকাৰেণ্টক গণতন্ত্ৰৰ বাবে দৰকাৰ বুলি কয়। ৰাজেন গোহাঁয়ে জয়ন্তমল্ল বৰুৱাৰ বাবে বিজেপিৰ কাৰ্যালয়লৈ আহিবলৈ ভয় কৰিছিল বুলি দাবী বৰাই কয় যে মুখ্যমন্ত্ৰীয়ে গতিয়াই উলিয়াই দিব লাগে বুলি কৈছিল। জয়ন্তমল্ল বৰুৱাই কৈছিল ৰাজেন গোহাঁই বিজেপিৰ কাৰ্যালয়লৈ আহিলে কুবাই দিব লাগে বুলি কৈছিল। নতুন সভাপতিয়ে নতশীৰে প্ৰণিপাত জনাইছে ৰাজেন গোহাঁইক। জয়ন্তমল্ল বৰুৱাৰ বাবে আগতে ৰাজেন গোহাঁয়ে কাৰ্যালয়লৈ আহিবলৈ ভয় খাই আছিল। ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ নেতা-কৰ্মীয়ে আজি এক উৎসাহজনক খবৰ লাভ কৰিছে। আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ উপস্থিতিত প্ৰাক্তন আছু নেতাসহ কেইবাজনো জাতীয় সংগঠনৰ নেতাই কংগ্ৰেছত যোগদান কৰে। ভূপেন কুমাৰ বৰাৰ মহানগৰীৰ ভেটাপাৰাস্থিত ঘোঁৰামৰাৰ ঘৰত আজি অনুষ্ঠিত এখন যোগদান সভাত আছুনেতাসহ ৩০গৰাকী নেতা-কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰিছে। ধেমাজি জিলাৰ আছুৰ প্ৰাক্তন উপ-সভাপতি মনোৰঞ্জন চেতিয়া, আছুৰ জিলা কাৰ্যনিৰ্বাহক, মণ্টু গগৈ, জিলা সাংগঠনিক সম্পাদক অঞ্জন গগৈ, আৰু শ্ৰীপানী আঞ্চলিক ছাত্ৰ সন্থাৰ কেইবাজনো প্ৰাক্তন সভাপতিয়ে কংগ্ৰেছত যোগদান কৰে। আনহাতে, আপৰ প্ৰায় ২০ জন নেতাই কংগ্ৰেছত যোগদান কৰে। আছু, আম আদমী পাৰ্টিৰ নেতাসহ মুঠ ৩০ জন নেতা-কৰ্মীয়ে আজি গুৱাহাটীত কংগ্ৰেছক যোগদান কৰে। এই যোগদানে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন আৰু আগন্তুক পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ স্থিতি শক্তিশালী কৰিব বুলি দাবী কৰিছে ভূপেন কুমাৰ বৰাই। আজি যোগাদন কাৰ্যসূচীৰ অন্তত সংবাদমাধ্যমক সম্বোধন কৰি ভূপেন কুমাই বৰাই পঞ্চায়ত নিৰ্বাচনক লৈ পুনৰ সকীয়নি প্ৰদান কৰিছে ৰাজ্য চৰকাৰক। ভূপেন বৰাই কয় যে ৫ এপ্ৰিলৰ ভিতৰত পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ঘোষণা নকৰিলে কংগ্ৰেছে উচ্চ ন্যায়ালয়ৰ কাষ চাপিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আইনী প্ৰক্ৰিয়াৰ পৰা বাচিবলৈ ৫ এপ্ৰিলৰ ভিতৰত নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰিব লাগিব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাত বিলম্ব হোৱাত গণতান্ত্ৰিক নিয়ম স্পষ্ট উলংঘন হৈছে। আমি ইতিমধ্যে সাজু হৈছো। ভূপেন কুমাৰ বৰাই অসমৰ বিৰোধী মিত্ৰজোঁট সন্দৰ্ভত মন্তব্য প্ৰদান কৰি মিত্ৰজোঁট হোৱাৰ ইংগিত দিয়ে। ভূপেন বৰাই কয় যে এইবাৰ অখিল গগৈয়ে ভাল হ'ব। এতিয়াৰ পৰা অখিল গগৈয়ে ভাল হ'ব। এতিয়াৰ পৰা বিৰোধী ঐক্যমঞ্চৰ দায়িত্ব নাগৰিক সমাজে ল'ব। সকলো আলোচনা যোগাত্মক দিশত গৈ আছে। ইমান ডাঙৰ এটা সন্মিলত মঞ্চ গঠন কৰিবলা যাওতে কিছু মন্থন হোৱাটো, কিছু আলোচনা হোৱাটো, কিছু বিতৰ্ক হোৱাটো স্বাভিৱক। কিন্তু সকলো দলে মিলি আমি এটা সমূহীয়া ঘোষণা কৰিবলৈ সক্ষম হম- কয় বৰাই। আনহাতে, পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত বিৰোধীৰ যোগাযোগৰ অভাৱক লৈ বৰাই কয় যে বিৰোধী দলে আমাক জনোৱা নাই। তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰে। যদি তেওঁলোকে যোগাযোগ কৰিলেহেঁতেন তেন্তে আমি নিশ্চিতভাৱে এই বিষয়ে আলোচনা কৰিলোহেঁতেন। ২ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে বিজয় সুৰক্ষিত কৰাৰ ওপৰত আস্থা প্ৰকাশ কৰি বৰাই আৰু কয় যে যদিহে শাসকীয় বিজেপিয়ে ফলাফলৰ হেৰফেৰ কৰি, ধনবলৰ শক্তি ব্যৱহাৰ নকৰে তেতিয়া ৰাভা হাছঙত জয়ী হোৱাত আত্মবিশ্বাসী। পৰিষদৰ নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছৰ প্ৰাৰ্থীসকলে ভাবুকিৰ সন্মুখীন হৈছে। আমাৰ দুজন প্ৰাৰ্থীক ভয় খুৱাইছে। এনেঘটনাই নিৰ্বাচন প্ৰক্ৰিয়াৰ নিৰপেক্ষতাত উদ্বেগ তীব্ৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতীয় মূলৰ পিতা-পুত্ৰীক বিদেশত

ভাৰতীয় মূলৰ এজন লোক আৰু তেওঁৰ কন্যাক। স্থানীয় সময় অনুসৰি ২০ মাৰ্চৰ পুৱা একোমাক কাউন্টিৰ এখন ষ্টʼৰত সংঘটিত হয় এই মৰ্মান্তিক কাণ্ড। ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে এজন সন্দেহযুক্ত লোকক। গুলীচালনাৰ সময়ত প্ৰদীপ কুমাৰ পেটেল (৫৬) আৰু তেওঁৰ ২৪ বছৰীয়া কন্যাই ষ্টʼৰত কাম কৰি আছিল। ভাৰ্জিনিয়াৰ পূব উপকূলত অৱস্থিত একোমাক কাউন্টি। একোমাক কাউন্টি শ্বেৰিফৰ কাৰ্যালয়ে জনোৱা মতে, স্থানীয় সময় অনুসৰি পুৱা ৫:৩০ বজাত আৰক্ষীয়ে গুলীচালনাৰ খবৰ পোৱাৰ পিছতে সেই স্থানত উপস্থিত হয়। তাত এজন লোকক গুলীবিদ্ধ অচেতন অৱস্থাত উদ্ধাৰ কৰা হয়। পিছত ষ্টʼৰৰ ভিতৰৰ পৰাও এগৰাকী মহিলাক আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ কৰা হয়। ঘটনাস্থলীতে লোকজনৰ মৃত্যু হোৱাৰ বিপৰীতে মহিলাগৰাকীক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসালয়লৈ লৈ যোৱা হয়, য'ত তেওঁৰ মৃত্যু হয়। বৃহস্পতিবাৰে আৰক্ষীয়ে জনোৱা মতে, এনানককৰ জৰ্জ ফ্ৰেজিয়াৰ ডেভন ৱাৰ্টন (৪৪)ক সন্দেহযুক্ত হিচাপে গ্ৰেপ্তাৰ কৰা হৈছে। বৰ্তমান তেওঁক একোমাক জেলত ৰখা হৈছে। ৱাৰ্টনৰ বিৰুদ্ধে প্ৰথম ডিগ্ৰীৰ হত্যা, হত্যাৰ চেষ্টা আৰু আগ্নেয়াস্ত্ৰ ব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছে। অৱশ্যে এই হত্যাকাণ্ডৰ আঁৰৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। নিজকে ষ্টʼৰৰ মালিক বুলি পৰিচয় দি পৰেশ পেটেলে কয় যে মৃত লোক দুজন তেওঁৰ পৰিয়ালৰ সদস্য। এই মৰ্মান্তিক ঘটনাৰ খবৰ বিয়পি পৰাৰ পাছতে আমেৰিকাৰ ভাৰতীয় সমাজত শোকৰ ছাঁ নামি আহিছে। ছ'চিয়েল মিডিয়াত হত্যাকাণ্ডৰ খবৰ বিয়পি পৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই ঘটনাই ভাৰততো শোকৰ ছাঁয়া পেলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অডিঅ' সত্য হ'লে কিডাল হ'ব

মনোৰঞ্জন তালুকদাৰৰ কণ্ঠ বুলি অভিযোগ উঠিছে। অডিঅ'টোত চিণ্ডিকেট চক্ৰৰ পৰা ধন বিচৰা শুনা গৈছে। ইতিমধ্যে চিপিআইএম দলৰ ৰাজ্যিক সমিতিয়ে মনোৰঞ্জন তালুকদাৰক তলৱ কৰিবলৈ সাজু হোৱা বুলি জানিব পৰা গৈছে। তাৰ মাজতে পুনৰ আজি স্পষ্টিকৰণ দিছে। বিধায়ক মনোৰঞ্জন তালুকদাৰে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ বুলি দাবী কৰিছে। মনোৰঞ্জন তালুকদাৰে কয় যে চিণ্ডিকেটৰ বিৰুদ্ধে তদন্ত ঘোষণা কৰক মুখ্যমন্ত্ৰীয়ে। তদন্ত প্ৰক্ৰিয়াত পূৰ্ণ সহযোগ আগবঢ়াবলৈ সাজু। যি পৰ্যায়ৰ তদন্ত কৰে সকলোতে সহায় কৰিম। মোক দোষী সাব্যস্ত কৰক। মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাইছো। ৰাজনৈতিক দলে টকা বিচাৰে, তাত কোনো বাধা নাই। মই টকা লোৱাৰ কোনো প্ৰমাণ নাই। অধ্যক্ষক মই ক'ব নালাগে, নিজে পদক্ষেপ লওক অধ্যক্ষই। প্ৰকাশ হোৱা অডিঅ'টো যদি সঁচা হয় তেন্তে সেয়া লোকসভা নিৰ্বাচনৰ অডিঅ'। অৰ্থাৎ ৯ মাহ পূৰ্বৰ এই অডিঅ'। মোৰ লগত থকা মোবাইলটো চালে সকলো স্পষ্ট হ'ব। অধ্যক্ষই বিচাৰিলে মই মোৰ মোবাইলটো দি দিম। তদন্তকাৰী বিষয়াৰ জৰিয়তে তদন্ত কৰিলে স্পষ্ট হ'ব। অডিঅ' সত্য হ'লে কিডাল হ'ব? ৰাজনৈতিক দলে টকা বিচাৰিব নোৱাৰে নেকি? ভইচ মোৰ নহয়। এআই ব্যৱহাৰ কৰি টেপ বনাইছে। চাইবাৰ ক্ৰাইমলৈ যাম। তদন্ত হোৱাটোৱে বিচাৰিছো। চুপাৰি চিণ্ডিকেটত কেনেকৈ টকা উঠাই সকলো বিধানসভাত কৈছো। ভইচ টেষ্টৰ বাবে সাজু আছো। হৰেন মহন্ত চিণ্ডিকেটৰ কিং, হৰ্ষ কিং পিন। দুয়োকে মই ব্যক্তিগতভাৱে চিনি নাপাও। বিধানসভাত চিণ্ডিকেটৰ বিষয় উত্থাপন কৰিছো। ইতিমধ্যে মই বিধানসভাত এইবোৰ তথ্য দিছো। মই মাৰ্ক্সবাদী আদৰ্শত বিশ্বাসী, তেনে পইচা নলওঁ। শেহতীয়াকৈ ভাইৰেল হোৱা এটা অডিঅ'ক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অডিঅ'টোত দাবী কৰা হৈছে ধন। ধন বিচাৰি বিধানসভাত কৰ্তন প্ৰস্তাৱ উত্থাপন নকৰাৰ কথা কোৱা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰমেশ-পেগুৰ হাতত ধ্বংস শিক্ষাৰ্থীৰ

চন্দ্ৰ জৈনৰ নিজৰ পদত কাৰ্যনিৰ্বাহ কৰি থকাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলাইছে। ৰমেশ কুমাৰ জৈনে শীঘ্ৰে পদত্যাগ কৰিব লাগে। এই দাবী অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাৰ। বৰাই এক সংবাদমেলত আজি কয় যে ৰমেশ কুমাৰ জৈনৰ লগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এক গোপন বুজাবুজি আছে। সেই বাবেই ছেবাৰ অধ্যক্ষৰ কাৰ্যকাল ৬৫ বছৰৰ পৰা ৭০ বছৰলৈ বঢ়াই দি জৈনক সেই পদত অধিষ্ঠিত কৰি ৰাখিছে। অধ্যক্ষ ৰমেশ কুমাৰ জৈনৰ এনে কি বিশেষ অৰ্হতা আছে যে তেওঁহে পৰিষদৰ অধ্যক্ষ হৈ থাকিব লাগে। জৈনৰ কাৰ্যকালত ২০১৭ চন আৰু ২০২৩ চনত প্ৰশ্নকাকত ফাদিল হৈছিল আৰু পৰীক্ষা পদ্ধতিত ব্যাপক বিসংগতি হৈছিল। এনে এজন মানুহৰ নেতৃত্বত বৰ্তমান উচ্চতমৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ৫টাকৈ পৰীক্ষা বাতিল কৰা হৈছে। পৰীক্ষাৰ্থীৰ পৰা ২৫০টকাকৈ মাচুল লৈ তাৰ বিনিময়ত এখন প্ৰশ্নকাকত দিয়েই দায়িত্ব সামৰাৰ শিক্ষা পৰিষদে নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত ধ্বংস কৰাৰ অপচেষ্টাত নামি পৰিছে। অসমৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণ ৰূপে ব্যক্তিগতকৰণ কৰিবলৈ ষড়যন্ত্ৰত নামি পৰিছে। বৰাই শিক্ষামন্ত্ৰী ৰণোজ পেগুক এজন অকৰ্মণ্য ব্যক্তি বুলি উল্লেখ কৰি পেগুৰ পদত্যাগ দাবী কৰিছে। ইফালে সংবাদমেলত উপস্থিত থকা অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ উপাধ্যক্ষ নেত্ৰৰঞ্জন চৌধুৰীয়ে ৰাজ্য চৰকাৰে বৰাক উপত্যকাৰ লংগাই চাহ বাগান বিক্ৰী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ তৎপৰতা সন্দৰ্ভত কেতবোৰ তথ্য প্ৰকাশ কৰে। এই প্ৰসংগত অসম প্ৰদেশ জ্যেষ্ঠ উপ-সভাপতি প্ৰাক্তন মন্ত্ৰী অজিত সিঙে বৰাক উপত্যকাৰ চাহ শ্ৰমিকসকলক দুখ-দুৰ্দশাৰ কথা বৰ্ণনা কৰি শিক্ষা আৰু চিকিৎসাৰ অভাৱত চাহ শ্ৰমিকসকলৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে বুলি কয়। কংগ্ৰেছ নেতা সিঙে কয় যে ডলু চাহ বাগিচাত উচ্ছেদ হোৱা শ্ৰমিকৰ পৰিয়ালে আজিলৈকে ন্যায় নাপালে। ইফালে হাজাৰ হাজাৰ কোটি টকাৰ এডভান্টেজ আসাম অনুষ্ঠিত কৰা অসম চৰকাৰে অসম চাহ উদ্যোগক পুনৰুজ্জীৱিত কিয় কৰিব নোৱাৰে বুলি বেদব্ৰত বৰাই প্ৰশ্ন উত্থাপন কৰে। লংগাই চাহ বাগিচা প্ৰসংগত নেত্ৰৰঞ্জন চৌধুৰীয়ে তথ্য উপস্থাপন কৰি চৰকাৰে মিতব্যয়তা আৰু পুঁজিৰ অভাৱত চাহ বাগান বন্ধ কৰিবলৈ ওলোৱাত ঘোৰ বিৰোধিতা কৰি কয় যে সামাজিক মাধ্যমত শৰীৰ চৰ্চাৰ ফটো-ৰীল পোষ্ট কৰাত সিদ্ধহস্ত অসম চৰকাৰৰ মন্ত্ৰীসকল ৰাজ্য আৰু বিভাগ চলোৱাত ব্যৰ্থ। এডভান্টেজ আসামৰ সপোন দেখুওৱা ৰাজ্য চৰকাৰ উদ্যোগ নীতি আৰু বিশেষকৈ ৰাজহুৱা খণ্ডৰ উদ্যোগ বোৰ সুচাৰুৰূপে পৰিচালনা কৰাত সম্পূৰ্ণ বিফল হৈছে। এই কথা শেহতীয়া ৰাজ্যৰ বাজেটত প্ৰতীয়মান হৈছে। চৰকাৰী বিজ্ঞাপনত ৩৭২ কোটি খৰচ কৰা, হেলিকপ্টাৰ আৰু চাৰ্টাৰ্ড প্লেনৰ নামত ৫৮ কোটি ৰাজহ ব্যয় কৰিছে। অসমৰ ৰাজহ ব্যয় কৰি আন ৰাজ্যৰ নিৰ্বাচন প্ৰচাৰত আৰু ৩৬ বিধ ব্যঞ্জনৰ কেবিনেট মিটিং পতা চৰকাৰে মিতব্যয়তা আৰু পুঁজিৰ অভাৱৰ অজুহাত দেখুওৱা কাৰ্য হাস্যকৰ। আচলতে চৰকাৰী সম্পত্তি পানীৰ দৰত অঙহী-বঙহী আৰু কিছুমান আশীৰ্বাদপুষ্ট পুঁজিপতিক হস্তান্তৰ কৰাৰ এয়া পৰিকল্পনা। কেন্দ্ৰীয় চৰকাৰে কোনো পৰিকল্পনা নোহোৱাকৈ গ্ৰীণফিল্ড বিমান বন্দৰৰ নামত ২০০ বছৰ পুৰণি ডলু চাহ বাগানৰ ৩ মিলিয়ন চাহ গছ থকা ২৫০০ বিঘা মাটি ১০০ খন বুলডজাৰ লগাই উঘালি পেলোৱা করুণ দৃশ্য বিশ্বই দেখিছে। আজিলৈ বিক্ৰী কৰা চাহ বাগানৰ বনুৱাসকলক পিএফ, গ্ৰেচুইটি, পকা ঘৰ, মাটিৰ পট্টা, বকেয়া আৰু দৰমহা দিয়া হ'ল নে নাই তাৰ উত্তৰ চৰকাৰে দিয়ক? সন্মানীয় সাংসদ তথা লোকসভাৰ উপ-দলপতি গৌৰৱ গগৈয়ে চাহ জনজাতি লোকৰ হৈ প্ৰশ্ন কৰিছিল যে অসমৰ চাহ জনগোষ্ঠীৰ মাজত টিবি, ৰক্তহীনতা আদি দেখা যায়। পৰিষ্কাৰ খোৱাপানী তথা পৰ্যাপ্ত চিকিৎসক আৰু স্বাস্থ্য সেৱাৰ হকে প্ৰশ্ন উত্থাপন কৰোতে স্বাস্থ্য মন্ত্ৰী জেপি নাড্ডাই উত্তৰ দিলে যে সেয়া ৰাজ্য চৰকাৰৰ বিষয়। এই প্ৰসংগত কেগৰ ২০২৪ৰ প্ৰতিবেদনত চাহ জনজাতিৰ কল্যাণমূলক আঁচনি ৰূপায়নৰ বিফলতাৰ বিস্ফোৰক তথ্য প্ৰকাশ পাইছে। কেগৰ প্ৰতিবেদন অনুসৰি ২০১৬ পৰা ২০২১ লৈ ৰাজ্য চৰকাৰে ঘোষণা কৰা ২৫ খন আঁচনিৰ ৯ খনেই ৰূপায়িত কৰিব নোৱাৰিলে পুঁজিৰ অভাৱত। ৪১ শতাংশ চাহ শ্ৰমিক নিৰক্ষৰ, ৮৭ শতাংশ চাহ শ্ৰমিক ভূমিহীন, মাত্ৰ ৪৬ শতাংশ চাহ শ্ৰমিকে উজ্বলা আঁচনিৰ অধীনত গেছ সেৱা লাভ কৰিছে। এই কেগৰ প্ৰতিবেদনখনত পকা ঘৰৰ দুৰৱস্থ, বিদ্যালয়ৰ দুৰৱস্থা তথা চিকিৎসা সেৱাৰ অতি দুৰৱস্থাৰ বিষয়ে উল্লেখ কৰা হৈছে। অসমত ঝুমুৰ বিনিন্দীনি পালন কৰাৰ লগতে চাহ উদ্যোগ, ক্ষুদ্ৰ চাহ খেতিয়ক আৰু চাহ শ্ৰমিকসকলৰ মৌলিক সমস্যাবোৰৰ ওপৰতো চৰকাৰে গুৰুত্ব দিয়া উচিত। নগাৰ ভয়ত ভিৰাই লৰ মৰা শাসকীয় দলৰ যিজন চাহ জনগোষ্ঠীৰ বিধায়কে পৱিত্ৰ বিধানসভাৰ মজিয়াত উদ্ভণ্ডালি কৰি বিৰোধী দলৰ বিধায়কসকলক শাৰীৰিকভাৱে আক্ৰমণ কৰিবলৈ উদ্যত হয়। তেখেতে চাহ উদ্যোগ আৰু চাহ শ্ৰমিকসকলৰ জ্বলন্ত সমস্যা উত্থাপন কৰি চৰকাৰক হেঁচা প্ৰয়োগ কৰিব পাৰিবনে বুলি প্ৰশ্ন কৰে প্ৰদেশ কংগ্ৰেছে। চাহ উদ্যোগ অসমৰ গৌৰৱ। এনে এটা উদ্যোগ মাথোঁ ভোটবেংকৰ ৰাজনীতি আৰু নিজৰ অঙহী-বঙহীৰ স্বাৰ্থত ধ্বংসৰ মুখলৈ ঠেলি দিয়া অনুচিত। কংগ্ৰেছ ৰাজ্যৰ চাহ বাগানৰ বিক্ৰী বন্ধ কৰা, চাহ উদ্যোগৰ আধুনিকীকৰণ কৰি চাহ শ্ৰমিকসকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছুপ্ৰিম ক'ৰ্টে তদন্ত কৰিব ন্যায়াধীশ

দেখা গৈছে যে দিল্লী আৰক্ষীৰ হাতত থকা জ্বলি যোৱা টকাৰ বাণ্ডিল। একে সময়তে উচ্চতম ন্যায়ালয়ত দাখিল কৰা ২৫ পৃষ্ঠাৰ তদন্তৰ প্ৰতিবেদনও প্ৰকাশ পাইছে। এই ঘটনা সন্দৰ্ভত দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ প্ৰতিবেদনো ৰাজহুৱা কৰা হৈছে। এই গোচৰৰ সকলো নথি-পত্ৰ উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত আপলোড কৰা হৈছে, আনকি ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ উত্তৰও আগবঢ়াইছে। অৱশ্যে ন্যায়াধীশ বাৰ্মাই নগদ ধনৰ বিষয়টো সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে। তেওঁ কয়, "মই স্পষ্টকৈ ক'ব বিচাৰো যে সেই ষ্টʼৰৰুমত মই বা মোৰ পৰিয়ালে কোনো নগদ ধন ৰখা নাছিলো। এইটো সম্পূৰ্ণ ভিত্তিহীন দাবী। ষ্টাফ কোৱাৰ্টাৰৰ ওচৰৰ ইমান মুকলি আৰু সুলভ ঠাইত কোনোবাই ইমান টকা লুকুৱাই ৰাখিব বুলি বিশ্বাস কৰিব নোৱাৰি। ই মোৰ ব্যক্তিগত বাসস্থানৰ পৰা সম্পূৰ্ণ পৃথক আৰু দেৱালেৰে পৃথক। মোক অভিযোগ কৰাৰ আগতে সংবাদ মাধ্যমে যদি সঠিক তদন্ত কৰিলেহেঁতেন তেন্তে ভাল আছিল।" এই ঘটনাৰ তদন্ত সম্পূৰ্ণ নোহোৱালৈকে ন্যায়াধীশ যশৱন্ত বাৰ্মাই কোনো ন্যায়িক কৰ্তব্য পালন কৰিব নোৱাৰিব। বিষয়টো স্বচ্ছ কৰি ৰাখিবলৈ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই সকলো নথি-পত্ৰ ৰাজহুৱা কৰাৰ সিদ্ধান্ত লয়। উচ্চতম ন্যায়ালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কোনো ন্যায়াধীশৰ বিৰুদ্ধে থকা সকলো ৰেকৰ্ড ৰাজহুৱা কৰা হৈছে। এই ঘটনাৰ তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ে তিনিজনীয়া এখন কমিটী গঠন কৰিছে। ইয়াৰ ভিতৰত আছে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ছিল নাগু, হিমাচল প্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ জি সন্দাৱলিয়া আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অনু শিৱৰমণ। ইফালে, উচ্চতম ন্যায়ালয়ে দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক নিৰ্দেশ দিছে যে তদন্ত সম্পূৰ্ণ নোহোৱালৈকে ন্যায়াধীশ বাৰ্মাক কোনো ন্যায়িক কাম অৰ্পণ নকৰিবলৈ। মন কৰিবলগীয়া যে ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ চৰকাৰী বাসগৃহত অগ্নিকাণ্ড সংঘটিত হোৱাৰ পিছত বৃহৎ পৰিমাণৰ নগদ ধন উদ্ধাৰ কৰাৰ ঘটনাই ন্যায়পালিকাত আলোড়নৰ সৃষ্টি কৰিছে। এই ঘটনাই উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামকো ক্ষিপ্ৰ পদক্ষেপ ল'বলৈ বাধ্য কৰাইছে। ন্যায়াধীশৰ ঘৰত টকা উদ্ধাৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিৱা বুৰঞ্জী প্ৰকাশৰ আহ্বান মুখ্যমন্ত্ৰীৰ

তিৱা সাহিত্য সভাৰ আজি অন্তিম দিনটোৰ কাৰ্যসূচী মুকলি সভাত উপস্থিত থাকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। তিৱা মাথনলাই তখ্বাৰ তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত ত্ৰয়োদশ সংখ্যক অধিৱেশনৰ মুখ্য অতিথি হিচাপে উপস্থিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আদৰিবলৈ তিৱা জনগোষ্ঠীৰ বৰত মিচাৱা নৃত্য প্ৰদৰ্শন কৰা হয়। মুখ্যমন্ত্ৰীয়ে নৃত্য উপভোগ কৰি আপ্লুত হোৱা পৰিলক্ষিত হয়। মুখ্যমন্ত্ৰীয়ে মুকলি সভাত তিৱা সাহিত্য সভাৰ প্ৰশংসা কৰি কয় যে তিৱাসকলৰ সমৃদ্ধ লোকজীৱন আৰু লোককৃষ্টিৰ আধাৰতে গঢ় লৈ উঠিছে তিৱা সাহিত্য। তিৱা সাহিত্য সভাৰ চিন্তা-চেতনাই ৰাজ্যৰ সাহিত্য ক্ষেত্ৰখন উৰ্বৰ কৰিছে। তিৱা জাতিক স্বকীয় পৰিচয়ৰে উদ্ভাষিত কৰি অহা তিৱা ভাষা-কৃষ্টি সংৰক্ষণ আৰু প্ৰসাৰৰ দিশত অসম চৰকাৰৰ অবিৰত প্ৰচেষ্টা কৰা বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ দ্বাৰা অন্যান্য জনজাতীয় ভাষাসমূহৰ লগতে তিৱা ভাষাকো শিক্ষাৰ মাধ্যম হিচাপে প্ৰাথমিক পৰ্যায়ত প্ৰৱৰ্তনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। ইতিমধ্যে তিৱা মাথনলাই তখ্বাৰ তৰফৰ পৰা ৰাজ্যিক শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত পাঠ্যপুথি প্ৰণয়নৰ কৰ্মসূচী সম্পন্ন কৰিছে। তিৱা মাথনলাই তখ্বাই তিৱা জনগোষ্ঠীৰ বুৰঞ্জী প্ৰণয়নৰ বাবে আগবাঢ়ি আহিলে ৰাজ্য চৰকাৰে প্ৰকাশৰ ব্যয় বহন কৰিব বুলিও প্ৰস্তাৱ দিয়ে মন্ত্ৰীগৰাকীয়ে। চাৰণ বিলৰ পাৰত প্ৰস্তাৱিত কলাক্ষেত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সহযোগিতা আৰু জোঙাল বলহু পৰ্যটন ক্ষেত্ৰ এই বছৰতে ৰাইজৰ বাবে মুকলিৰ ঘোষণা কৰে। তিৱাসকলৰ বাবে চাৰণবিলৰ পাৰত তিনিবিঘা ভূমিত তিৱা সাংস্কৃতিক প্ৰকল্পৰ বাবে অনুমোদন জনায়। মুকলি সভাত মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱন চন্দ্ৰ কোঁৱৰ, তিৱা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী প্ৰৱন মান্তা, জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে স্থানীয় লোকসকল উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিলচৰ মেডিকেলত ছিণ্ডিকেটৰাজ!

ভিতৰত এটা চিণ্ডিকেট চক্ৰই ঔষধৰ ব্যৱসায় চলাই থকাৰ অভিযোগৰ মাজতে আজি বৰাকৰ শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ঔষধ বাহিৰৰ পৰা নি বিক্ৰীৰ সমময়তে এজন দালালক ধৰি আৰক্ষীক গতাই দিয়াত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। হাস্পতালৰ ভিতৰত ৰোগীক আধিক দামত চিকিৎসা সঁজুলি বিক্ৰীৰ কৰাৰ অভিযোগত শিলচৰ চিকিৎসা মহাবিদ্যালয়ত গ্ৰেপ্তাৰ কৰা দালালজন হৈছে যদম তাঁতী। হাস্পতালখনৰ ডায়েলাইছিছ ইউনিটৰ সমীপত হাতে-লোটে ধৰি পিছত আৰক্ষীক গতাই দিয়া হয় যদম তাঁতীক। উপ-অধীক্ষক ঋতুৰাজ ঠাকুৰীয়াই জানিবলৈ দিয়া মতে তাঁতীৰ হাতত কেথেটাৰকে ধৰি বহু পৰিমাণৰ চিকিৎসা সামগ্ৰী আছিল আৰু তেওঁ এজন ৰোগীৰ পৰিয়ালৰ সৈতে আলোচনা কৰি আছিল। লগে লগে ডা০ ঠাকুৰীয়াই দালালজনক আৱদ্ধ কৰি পিছত আৰক্ষীক গতাই দিয়ে। শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডা০ ভাস্কৰ গুপ্তাই কয় যে চিকিৎসালয়খনৰ ভিতৰত দালালৰ কাৰ্যকলাপ দীৰ্ঘদিনীয়া সমস্যা হৈ আহিছে। গোপনীয় সূত্ৰৰ পৰা অবৈধ কাৰ্যকলাপৰ তথ্য লাভ কৰাৰ পিছতে এই ব্যৱস্থা গ্ৰহণ কৰা বুলিও তেওঁ কয়। জেৰাৰ সময়ত তাঁতীয়ে স্বীকাৰ কৰে যে তেওঁ বিগত তিনি-চাৰি মাহ ধৰি চিকিৎসা সামগ্ৰীৰ অবৈধ বিক্ৰীৰ সৈতে জড়িত আছিল। ইয়াৰ সমান্তৰালকৈ তেওঁ এই চক্ৰটোৰ সৈতে জড়িত থকাৰ সন্দেহ কৰা একাংশ ড্ৰাগছ ব্যৱসায়ী আৰু ফাৰ্মাচীৰ মালিকৰ নামো প্ৰকাশ কৰিছে। ডা০ গুপ্তাই ৰোগী আৰু তেওঁলোকৰ পৰিয়ালক এনে কোনো অবৈধ কামৰ বলি হ'লে শীঘ্ৰে চিকিৎসালয় কৰ্তৃপক্ষক অৱগত কৰিবলৈ আহ্বান জনায় যাতে দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। উত্থাপিত হৈ অহা অভিযোগ মতে, এটা দালাল চক্ৰই একাংশ চিকিৎসা মহাবিদ্যালয়ত বাহিৰৰ পৰা ঔষধ নি অধিক দামত বিক্ৰী কৰে। যিসমূহ দৰৱ চিকিৎসালয়ে যোগান নধৰে তেনে দৰৱ চিণ্ডিকেট চক্ৰৰ লোকে বাহিৰৰ পৰা দৰৱ নি ৰোগী বা ৰোগীৰ অভিভাৱকক যোগান ধৰে। এই ক্ষেত্ৰত একাংশ চিকিৎসক জড়িত থকাৰ সন্দেহ কৰাৰ থল আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মিডিয়াই ‘শাস্তি’ দিয়া ৰিয়াক ক্লীন চিট

হৈ পৰা বলীউডৰ অভিনেত্ৰী ৰিয়া চক্ৰৱৰ্তীক অৱশেষত সকলো অভিযোগৰ পৰা মুক্ত হ'ল। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (চিবিআই)ই দাখিল কৰা প্ৰতিবেদন অনুসৰি, আত্মহত্যা কৰিছিল অভিনেতা সুশান্ত সিং ৰাজপুতে, আৰু তেওঁৰ মৃত্যুত কোনো ষড়যন্ত্ৰ বা অপৰাধমূলক ভূমিকা নাছিল। উল্লেখ্য যে, ২০১৯ চনৰ এপ্ৰিল মাহৰ পৰা আৰম্ভ হৈছিল সুশান্ত আৰু ৰিয়াৰ প্ৰেমৰ সম্পৰ্ক। তেওঁলোকৰ বন্ধন ব্যক্তিগত পৰ্যায়তে সীমাবদ্ধ নাছিল, ব্যৱসায়িক ক্ষেত্ৰখনলৈও বিস্তৃত আছিল। ৰিয়া আৰু তেওঁৰ ভাতৃ শ্বোয়েকৰ সৈতে মিলি ২০১৯ চনৰ ছেপ্টেম্বৰ মাহত তেওঁলোকে ভিভিডৰেজ ৰিয়েলিটিক্স নামৰ এটা কৃত্ৰিম বুদ্ধিমত্তা কোম্পানী আৰম্ভ কৰে। ডিচেম্বৰ মাহত তেওঁলোকৰ সম্পৰ্ক গভীৰ হৈ পৰে আৰু দুয়ো একেলগে থাকিবলৈ আৰম্ভ কৰে। কিন্তু ২০২০ চনৰ ১৪ জুনত সুশান্ত সিং ৰাজপুতৰ আকস্মিক মৃত্যুৱে সমগ্ৰ দেশ কঁপাই তুলিছিল। তেওঁৰ মুম্বাই ফ্লেটৰ পৰা উদ্ধাৰ হোৱা মৃতদেহ সন্দৰ্ভত প্ৰাৰম্ভিক তদন্তত আত্মহত্যাৰ সম্ভাৱনা প্ৰকাশ কৰা হৈছিল। অৱশ্যে মিডিয়াই ৰিয়াৰ ওপৰত সন্দেহৰ আঙুলি তোলে। ইয়াৰ এমাহৰ পাছত ২০২০ চনৰ ২৫ জুলাইত বিহাৰত সুশান্তৰ পিতৃ কেকে সিঙে ৰিয়াক আত্মহত্যাৰ বাবে প্ৰৰোচিত কৰা, আৰ্থিক প্ৰৱঞ্চনা, অবৈধ আটক, আস্থা ভংগৰ অভিযোগ উত্থাপন কৰি এফআইআৰ দাখিল কৰে। তেওঁ দাবী কৰে যে ৰিয়াই সুশান্তৰ পৰা ১৫ কোটি টকা আত্মসাৎ কৰিছিল। এই গোচৰত একাধিক তদন্তকাৰী সংস্থা জড়িত আছিল। ২০২০ চনৰ ৭ আগষ্টত ইডিয়ে ৰিয়া আৰু তেওঁৰ ভাতৃ শ্বোয়েকক ধনৰ লেনদেনৰ সৈতে জড়িত সোধা-পোছা কৰে। ১৯ আগষ্টত উচ্চতম ন্যায়ালয়ে তদন্ত চিবিআইক অৰ্পণ কৰে। একে সময়তে নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰোৱে (এনচিবি) ড্ৰাগছৰ সংযোগৰ তদন্ত আৰম্ভ কৰে। ইয়াৰ পিছত ২০২০ চনৰ ৭ ছেপ্টেম্বৰত ৰিয়াই কাউন্টাৰ এফআইআৰ দাখিল কৰে, য'ত তেওঁ সুশান্তৰ দুই ভগ্নী প্ৰিয়ংকা আৰু মিতু সিঙৰ লগতে এজন চিকিৎসকৰ বিৰুদ্ধে এজাহাৰ দিয়ে। ৰিয়াই দাবী কৰে যে তেওঁলোকে সুশান্তৰ বাবে ভুৱা প্ৰেছক্ৰিপচন সংগ্ৰহ কৰিছিল, যিটো তেওঁৰ মানসিক অৱস্থাৰ অৱনতি ঘটাৰ বাবে দায়ী। কিন্তু ২০২০ চনৰ ৮ ছেপ্টেম্বৰত এনচিবিয়ে ৰিয়াক গ্ৰেপ্তাৰ কৰাত পৰিস্থিতি অধিক জটিল হৈ পৰে। অভিযোগ আছিল যে তেওঁ আগতে সুশান্তৰ বাবে ড্ৰাগছ সংগ্ৰহ কৰিছিল। মাদক দ্ৰব্য নিয়ন্ত্ৰণ আইন (এনডিপিএছ আইন)ৰ অধীনত অভিযোগ উত্থাপন কৰি বাইকুলা কাৰাগাৰত ২৮ দিন কটাবলগীয়া হোৱাৰ পিছত ২০২০ চনৰ ৭ অক্টোবৰত ব'ম্বে উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰে। চাৰি বছৰৰ পাছত ২২ মাৰ্চত চিবিআইৰ চূড়ান্ত প্ৰতিবেদনত উল্লেখ কৰা হয় যে ৰিয়া চক্ৰৱৰ্তীৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ ভিত্তিহীন আৰু সুশান্তৰ মৃত্যুৰ আঁৰত কোনো অপৰাধমূলক ষড়যন্ত্ৰ নাই। কিন্তু চাৰি বছৰীয়া সংবাদ মাধ্যমৰ বিচাৰ আৰু অপবাদৰ পৰা কেতিয়াবা ৰিয়া চক্ৰৱৰ্তী মুক্ত হ'ব পাৰিবনে? সেই প্ৰশ্নও সচেতন মহলে বাৰম্বাৰ উত্থাপন কৰি আহিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংবত যোগাযোগ কৰক।

# নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ দ্বি-বাৰ্ষিক অধিৱেশন সফলতাৰে সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২৩ মাৰ্চঃ** অসম বাৰ্তাজীৱী সংঘৰ নগাঁও জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখন দেওবাৰে নগাঁও চহৰৰ নেহৰু যুৱক কেন্দ্ৰৰ সভাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন শেষাংশ ৮ পৃষ্ঠাত

# নগাঁৱত পুথিচিত্ৰৰ ৰাষ্ট্ৰীয়পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত

**ই-সংবাদ, বেবেজীয়া, ২৩ মাৰ্চঃ** নগাঁৱৰ আৰ্ট ভিলেজত আজি এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হৈ যায়। এই কৰ্মশালাত উত্তৰ-পূবৰ ৰাজ্যৰ লগতে উৰিষ্যা, মধ্যপ্ৰদেশ, দিল্লী, ৰাজস্থান, জম্মু, চেন্নাই, ছত্তীছগড়, হায়দৰাবাদ, শেষাংশ ৮ পৃষ্ঠাত

# বৰপেটাৰোডত বৃহৎ পৰিমাণৰ মূল্যৱান কাঠ জব্দ

**ই-সংবাদ, বৰপেটাৰোড, ২৩ মাৰ্চঃ** বৰপেটাৰোডৰ সমীপৰ শিমলাগুৰিত বাগছা জিলা আৰক্ষীৰ আৰু শিমলাগুৰি আৰক্ষীৰ অভিযানত ২৭ নং ঘাইপথত আজি বৃহৎ পৰিমাণৰ মূল্যৱান কাঠ জব্দ কৰা হয়। পুষ্পা চিনামাৰ আৰ্হিত অসমত শেষাংশ ৮ পৃষ্ঠাত

# গুৱাহাটীত হাতীৰ দাঁতসহ দুজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২৩ মাৰ্চঃ** অসমত আজিও বন্যপ্ৰাণীৰ অংগৰ সৰবৰাহ আজিও অব্যাহত আছে। আজি তাৰ প্ৰমাণ পোৱা গৈছে। আজি গুৱাহাটীত ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ে বামুণীগাঁৱৰ খাতিৰাত শেষাংশ ৭ পৃষ্ঠাত



বৰপেটা জিলাত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ

## বিধায়ক, জিলা আয়ুক্তৰে বৈঠক অৰ্জুন ৰাম মেঘৱালৰ

# বৰপেটাত চৰকাৰী আঁচনিৰ পৰ্যালোচনা

**ই-সংবাদ, বৰপেটাৰোড, ২৩ মাৰ্চঃ** কেন্দ্ৰীয় আইন আৰু ন্যায় তথা সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ২২ মাৰ্চত বৰপেটা জিলাত বিভিন্ন চৰকাৰী আঁচনিৰ বিস্তৃত পৰ্যালোচনা কৰে। পৰ্যালোচনা সভাত বৰপেটা জিলাৰ বিধায়কসকল, জিলা আয়ুক্ত, জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, বিভিন্ন বিভাগৰ শেষাংশ ৭ পৃষ্ঠাত

# অৰুণোদয় আঁচনি প্ৰদানৰ নামত ৰাজ্যজুৰি ব্যাপক অনিয়ম

## মৰিগাঁও জিলা আয়ুক্তৰ তদন্তৰ নিৰ্দেশ

**ই-সংবাদ, মৈৰাবাৰী, ২৩ মাৰ্চঃ** অসম চৰকাৰৰ অৰুণোদয় ৩.০ আঁচনিয়ে বিগত কিছুদিন ধৰি বাতৰিৰ শিৰোনাম দখল কৰি আছিছে। সমান্তৰালকৈ জিলাই জিলাই পোহৰলৈ আহিছে অৰুণোদয় আঁচনিৰ নামত তালিকা প্ৰস্তুত কৰা বাচনি কমিটিৰ দ্বাৰা আঁচনিৰ তালিকা প্ৰস্তুত কৰাত সংঘটিত হোৱা দুৰ্নীতিৰ তথ্য। কৰবাত যদি অৰুণোদয় আঁচনিৰ নামত উৎকোচ লোৱা, কৰবাত আকৌ দুখীয়া হিতাধিকাৰীয়ে ধন দিব নোৱাৰাত তালিকাৰপৰা নাম কৰ্তন কৰাৰ দৰে ঘটনা পোহৰলৈ আহিছে। চৰকাৰী শেষাংশ ৮ পৃষ্ঠাত

# এইবছৰত পঞ্চায়ত নিৰ্বাচন পতা নহ'বও পাৰেঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, ২৩ মাৰ্চঃ** বিৰোধী দলসমূহে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাত বিলম্ব হোৱাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে মাৰ্চ মাহত পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ঘোষণা নকৰিলে কংগ্ৰেছে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ ভাবুকি প্ৰদান কৰি আছিছে। তাৰ মাজতে আজি মুখ্যমন্ত্ৰী শেষাংশ ৭ পৃষ্ঠাত

## দক্ষিণ কামৰূপৰ বনগাঁৱত প্ৰচাৰ সভা

# ৰাভা হাছং পৰিষদৰ প্ৰচাৰত ভূপেন বৰা

**ই-সংবাদ, ২৩ মাৰ্চঃ** ২ এপ্ৰিলত অনুষ্ঠিত হ'ব ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন। নিৰ্বাচনক লৈ শাসক-বিৰোধীয়ে পানী ঘোলা কৰিছে। শাসকীয় বিজেপি আৰু বিৰোধী দলসমূহে প্ৰচাৰৰ গতি দিয়াৰ সময়তে আজি কংগ্ৰেছ দলৰ সভাপতি ভূপেন বৰা প্ৰচাৰত নামে। নিৰ্বাচনত কংগ্ৰেছৰ আশাব্যঞ্জক ফলাফল নিশ্চিত কৰিবলৈ ভূপেন বৰাই কংগ্ৰেছৰ প্ৰচাৰ আজিৰে পৰা তীব্ৰতৰ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই দক্ষিণ কামৰূপৰ বনগাঁৱত প্ৰচাৰ চলাই ভোটাৰসকলক শেষাংশ ৭ পৃষ্ঠাত

# চাহ শ্ৰমিকৰ মজুৰিৰ প্ৰসংগত মুখ্যমন্ত্ৰী, শ্ৰমমন্ত্ৰীক তুলা-ধূনা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৩ মাৰ্চঃ** "আজিৰ শ্ৰমমন্ত্ৰীগৰাকীয়ে এসময়ত শ্ৰম আন্দোলন কৰিছিল, "শ্ৰম গৰ্জন" কৰিছিল। শ্ৰমমন্ত্ৰীগৰাকী শ্ৰমিকৰ কাৰণে শ্ৰমমন্ত্ৰী নহয়, তেওঁ শ্ৰমিকৰ হিতৰ কাৰণে মাত মতাৰ নজিৰ নাই। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা যদি ভাৰতৰ প্ৰধানমন্ত্ৰী হয় আৰু শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালা যদি অসমৰ মুখ্যমন্ত্ৰী হয়, তেতিয়াও তেওঁলোকে চাহ শ্ৰমিকৰ স্বাৰ্থ পূৰণ কৰিব নোৱাৰে, চাহ শ্ৰমিকৰ হাজিৰা বৃদ্ধি কৰিব নোৱাৰে। এইক্ষেত্ৰত তেওঁলোকৰ নাই আন্তৰিকতা। চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি নহ'লে বোনাচ কম হয়, লগতে গ্ৰেচুইটিকে ধৰি অন্যান্য সুবিধাবোৰো হ্ৰাস পায়। চাহ শ্ৰমিকৰ কাৰণে আজি যিসকল বিধায়ক হ'ল, শেষাংশ ৭ পৃষ্ঠাত

**হিমন্ত বিশ্ব শৰ্মা প্ৰধানমন্ত্ৰী, ৰূপেশ গোৱালা মুখ্যমন্ত্ৰী হ'লেও চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰিব নোৱাৰেঃ দুৰ্গা ভূমিজ**

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# এইবছৰত পঞ্চায়ত নিৰ্বাচন পতা নহ'বও

ড০ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। পৰীক্ষাৰ বাবে যদি পঞ্চায়ত নিৰ্বাচন পিছুৱাব লগা হয় তেতিয়া এইটো বৰ্ষত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰাৰ ইংগিত দিয়ে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে পঞ্চায়ত নিৰ্বাচন এই দুটা পৰীক্ষাৰ বাবে ৰৈ থাকিব নোৱাৰিব। শেষৰ দুটা পৰীক্ষা হয়তো পঞ্চায়ত নিৰ্বাচনৰ মাজতে হ'ব। এতিয়া যদি পঞ্চায়ত নিৰ্বাচন পিছুৱাই দিও হয়তো এইবছৰত পঞ্চায়ত নিৰ্বাচন পতা নহ'ব। মুখ্যমন্ত্ৰীৰ এই কথাৰ পিছতে বিৰোধী দলসমূহৰ প্ৰতিক্ৰিয়া কি হয় সেয়া লক্ষণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চাহ শ্ৰমিকৰ মজুৰিৰ প্ৰসংগত মুখ্যমন্ত্ৰী

মন্ত্ৰী হ'ল, তেওঁলোক আজিৰ তাৰিখত সম্পূৰ্ণ নিমাত, ৰহস্যজনকভাৱে নিমাত। এই ৰহস্য ফাদিল কৰিব লাগে। " যোৱা ১১ মাৰ্চত শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে অসম বিধানসভাৰ বাজেট অধিৱেশনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক পোনপটীয়াকৈ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫০০ টকালৈ বৃদ্ধি কৰাৰ পৰামৰ্শ দিয়াত তাৰ উত্তৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চাহ শ্ৰমিক সংগঠনে নিজে চাহ শ্ৰমিকৰ মজুৰি নিৰ্ধাৰণ কৰে, চৰকাৰে নকৰে বুলি কৈ চৰকাৰে চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫০০ টকা কৰি দিলে তেওঁলোকেহে বেয়া পাব, ৰূপেশ গোৱালা ইয়াত আছে সুধি ল'ব - বুলি কৰা মন্তব্যৰ আঁত ধৰি ১২৫ নং ডুমডুমা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ অন্যতম সম্পাদক দুৰ্গা ভূমিজে চৰকাৰ তথা শ্ৰমমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে সৌচ্চাৰ হৈ পৰে। এই সন্দৰ্ভত চৰকাৰক উভতি ধৰিছে ডুমডুমাৰ প্ৰাক্তন বিধায়কগৰাকীয়ে। প্ৰাক্তন বিধায়ক ভূমিজে আজি এক সংবাদ মেল যোগে শাসনাধিষ্ঠ বিজেপি চৰকাৰ বিশেষকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৮২ নং ডুমডুমা সমষ্টিৰ বিধায়ক তথা শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালাৰ বিৰুদ্ধে সৰৱমুখৰ হৈ পৰাৰ লগতে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিক লৈ একপ্ৰকাৰ তুলা-ধূনা দিয়ে। বিধায়ক দুৰ্গা ভূমিজে সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰমমন্ত্ৰী "ৰূপেশ গোৱালা ইয়াত আছে, সুধি ল'ব "- বুলি কোৱাৰ পাছতো শ্ৰমমন্ত্ৰীগৰাকীয়ে বিষয়টোৰ সন্দৰ্ভতপ্ৰতিক্ৰিয়া প্ৰকাশ নকৰা তথা স্পষ্টীকৰণ নিদিয়াক লৈ ক্ষোভ প্ৰকাশ কৰে। দুৰ্গা ভূমিজৰ মতে, চাহ শ্ৰমিকৰ ভোটেৰে বিধায়ক হিচাপে নিৰ্বাচিত হোৱা শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালাই চাহ শ্ৰমিকৰ হকে এষাৰো মাত মতা নাই। চাহ শ্ৰমিক ভোটাৰে যি আশাৰে তেওঁক বিধায়ক কৰিলে, সেই আশা আজি আশা হৈয়ে ৰৈছে। চাহ শ্ৰমিকৰ কাৰণে যিসকলে বিধায়ক হৈছে, মন্ত্ৰী হৈছে তেওঁলোক ৰহস্যজনকভাৱে সম্পূৰ্ণ নিমাত। চাহ শ্ৰমিকৰ মজুৰি, দৰমহা বৃদ্ধিৰ কাৰণে আটছা, আছাকে ধৰি অন্যান্য শ্ৰমিক সংগঠনে মাত মাতি আহিছে যদিওঁ শ্ৰমিকৰ নেতা আজি শ্ৰমমন্ত্ৰী হোৱাৰ পাছতো চাহ শ্ৰমিকৰ কাৰণে এষাৰ মাত মাতিবলৈ আহৰি নোপোৱাটো দূৰ্ভাগ্যৰ বিষয়। ভূমিজে লগতে ইয়াকো কয় যে, চাহ শ্ৰমিকৰ মজুৰি, দৰমহা বৃদ্ধি নহ'লে শ্ৰমিকে বোনাচ কমকৈ পায়। লগতে গ্ৰেচুইটিকে ধৰি অন্যান্য সুবিধাবোৰো কমি যায়। প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজে এইক্ষেত্ৰত অসম চাহ মজদুৰ সংঘৰো স্পষ্টীকৰণৰ দাবী তোলে। চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিক লৈ ৰাজপথ উত্তাল কৰা ছাত্ৰ সংগঠনসমূহেও উক্ত বিষ.য়টোৰ সন্দৰ্ভত কি ভূমিকা লয়, সেয়া নিশ্চয়কৈ লক্ষণীয় হ'ব। বিধায়ক অখিল গগৈৰ চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ উক্ত পৰামৰ্শক চৰকাৰে গ্ৰহণ কৰিবনে? নে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোৱাৰ দৰে চাহ শ্ৰমিকৰ মজুৰি ৫০০ টকালৈ বৃদ্ধি কৰিলে শ্ৰমিক সংগঠনে আপত্তি কৰিব ? " আমাক ভাল পৰামৰ্শ নিদিব, ভাল পৰামৰ্শ দিলে আমিটো লগে লগে শুনি ল'ম, সেই পৰামৰ্শ যোনে নিদিয়ক কিয়! আমাক গালি-গালাজ কৰিলেও ভাল পৰামৰ্শ দিলে আমি শুনো বুলি কোৱা মাত্ৰকে অসমৰ মানুহৰ কাৰণে আটাইতকৈ ভাল পৰামৰ্শ বুলি অখিল গগৈয়ে আগবঢ়োৱা এই পৰামৰ্শৰ প্ৰতি চৰকাৰে কিবা সঁহাৰি দিবনে এয়া আজিৰ তাৰিখত এক লাখটকীয়া প্ৰশ্ন।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰাভা হাছং পৰিষদৰ প্ৰচাৰত ভূপেন

কংগ্ৰেছৰ প্ৰাৰ্থীক সমৰ্থন কৰিবলৈ আহ্বান জনায়। বনগাঁও ব্লক কংগ্ৰেছ কাৰ্যালয়ত আয়োজিত সভাত ভাষণ দি বৰাই অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী স্বৰ্গীয় হিতেশ্বৰ ডেকাৰ ঐতিহাসিক অৱদানৰ কথা উল্লেখ কৰি কয় যে ১৯৯৫ চনত ৰাভা সম্প্ৰদায়ৰ অৰ্থনৈতিক, ভাষিক আৰু সাংস্কৃতিক বিকাশ নিশ্চিত কৰিবলৈ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ গঠনৰ আৰম্ভণি কৰিছিল। বৰাই বিজেপি চৰকাৰৰ বিৰুদ্ধে এক কঠোৰ স্থিতি গ্ৰহণ কৰি কংগ্ৰেছ কৰ্মীসকলক দলৰ প্ৰাৰ্থীসকলৰ বাবে জোৰদাৰ প্ৰচাৰ চলাই যাবলৈ আহ্বান জনায়। বিধায়ক ৰেকিবুদ্দিন আহমেদে ৰাভা হাছং সম্প্ৰদায়ৰ পৰিচয় আৰু ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কামৰূপ জিলা কংগ্ৰেছৰ সভাপতি কংকান দাসেও ভাষণ প্ৰদান কৰি কংগ্ৰেছ প্ৰাৰ্থীৰ সমৰ্থনত জনসাধাৰণৰ পৰা ভোট বিচাৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত হাতীৰ দাঁতসহ দুজনক

প্ৰায় ১৪ কিলোগ্ৰাম হাতীদাঁত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চোৰাংচোৱা তথ্যৰ আধাৰত চলোৱা অভিযানৰ হাতীৰ দাঁত উদ্ধাৰৰ লগতে অবৈধ ব্যৱসায়ৰ সৈতে জড়িত দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ছয়গাঁৱৰ বৰবাক্ৰাৰ বাসিন্দা ৫২ বছৰীয়া সুৰেন ৰাভা আৰু বকোৰ চক্ৰপাণিৰ বাসিন্দা ৪৮ বছৰীয়া শংকৰ বড়োক গ্ৰেপ্তাৰ কৰে। দুজনক গ্ৰেপ্তাৰ আৰু হাতীৰ দাঁত উদ্ধাৰ কৰি বামুণিগাঁও ৰেঞ্জৰ বন বিষয়াৰ কাৰ্যালয়ত তদন্ত কৰি থকা হৈছে। কৰ্তৃপক্ষই প্ৰকাশ কৰি কয় যে হাতীৰ দাঁত অবৈধভাৱে বিক্ৰী কৰিবলৈ চেষ্টা কৰি থকা অৱস্থাত দুয়োজন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁলোকৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। বন্যপ্ৰাণীৰ অংগৰ সৰবৰাহৰ দৰে অবৈধ কাৰ্যকলাপ আৰু ব্যৱসায়ৰৰ নেটৱৰ্ক উন্মোচন কৰি আন আন লোকক চিনাক্ত কৰা হ'ব। ধৃত লোক দুজনৰ বিৰুদ্ধে বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২-ৰ ধাৰাৰ অধীনত ৩৯(১০-৫), ৪০(১, ২, ২বি), ৪৪, ৪৮এ, আৰু ৪৯, ৫১ত গোচৰ ৰুজু কৰা হৈছে বুলি জানিব পৰা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৰপেটাত চৰকাৰী আঁচনিৰ পৰ্যালোচনা

মুৰব্বীসকল উপস্থিত থাকে। আলোচনাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিভিন্ন আঁচনিৰ ৰূপায়ণৰ মূল্যায়ন কৰি উদ্ভাৱনৰ জৰিয়তে ইয়াৰ ফলপ্ৰসূতা বৃদ্ধিৰ ব্যৱস্থাৰ ওপৰত পৰামৰ্শ আগবঢ়ায়। সভাত জিলাখনত সেৱা প্ৰদানৰ উন্নতিৰ বাবে বিভিন্ন বিভাগে গ্ৰহণ কৰা অভিনৱ পদক্ষেপৰ ওপৰত আলোকপাত কৰে। সৰুৰেপৰা শিশুৰ মাজত বৈজ্ঞানিক স্বভাৱ গঢ়ি তুলিবলৈ বিশেষকৈ শিক্ষাখণ্ডত উদ্ভাৱনী পদ্ধতিৰ প্ৰৱৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰে মন্ত্ৰীগৰাকীয়ে। উক্ত পৰ্যালোচনা বৈঠকত নিৰ্দিষ্ট খণ্ডৰ প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোচনা কৰা হৈছিল আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰি কৈছিল যে কিছুমান জৰুৰী বিষয় সন্দৰ্ভত অধিক ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ বাবে নতুন দিল্লীলৈ প্ৰেৰণ কৰা হ'ব। বৰপেটাৰ ঔদ্যোগিক উন্নয়নৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসনক অৰ্থনৈতিক বিকাশৰ বাবে বিনিয়োগৰ এটা অনুকূল পৰিৱেশ সৃষ্টি কৰিবৰ বাবেও আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৰপেটাৰোডত বৃহৎ পৰিমাণৰ মূল্যৱান

বৃহৎ চোৰাং কাঠৰ চিণ্ডিকেট চলোৱা পৰিলক্ষিত হয়। আজি বৰপেটাৰোডৰ সমীপৰ বাগছৰ শিমলাগুৰিত গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত বাগছা জিলা আৰক্ষীৰ এচ ডি পি অ' দেৱাশিস কায়স্থ, কাৰ্যবাহী দণ্ডাধীশ নিলাংকৰ দাস আৰু শিমলাগুৰি আৰক্ষী পহৰা চকীৰ আই চি ছামিম ছিদ্দিকৰ নেতৃত্বত অভিযান চলাই ২৭ নং ঘাইপথত এখন ১০ চকীয়া ট্ৰেইলাৰৰপৰা বৃহৎ পৰিমাণৰ মূল্যৱান কাঠ জব্দ কৰিবলৈ সক্ষম হয়। গাড়ীখনত চালকগৰাকী অনুপস্থিতিৰ বাবে ট্ৰেইলাৰ তলা ভাঙি কাঠৰ কুণ্ডাসমূহ উদ্ধাৰ কৰে। জব্দ কৰা কাঠৰ কুণ্ডাবোৰ চন্দন কাঠ বুলি আৰক্ষীয়ে সন্দেহ কৰিছে যদিও তদন্তৰ শেষতহে এই বিষয়ে সঠিককৈ জানিব পৰা যাব। শিমলাগুৰীৰ আৰক্ষীয়ে দণ্ডাধীশৰ উপস্থিতত চিৰাং জিলাৰ কাজলগাঁৱৰপৰা গুৱাহাটীৰ সোনাপুৰলৈ অনাৰ পথতে জব্দ কৰে চোৰাং চন্দন কাঠৰ কুণ্ডাবোৰ। এন এল ০১ এ চি ৮০২৬ নম্বৰৰ এখন বন্ধ ট্ৰেইলাৰেৰে কঢ়িওৱা হৈছিল কাঠখিনি। জব্দ কৰা কাঠখিনি প্ৰায় কোটি টকাৰ বুলি সন্দেহ প্ৰকাশ কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নগাঁৱত পুথিচিত্ৰৰ ৰাষ্ট্ৰীয়পৰ্যায়ৰ

উত্তৰ প্ৰদেশ, গুৰগাঁও, হিমাচল প্ৰদেশ, পঞ্জাব, ঝাৰখণ্ড আদি ৰাজ্যৰ অৰ্ধশতাধিক বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। নগাঁৱৰ আৰ্ট ভিলেজৰ উদ্যোগত আৰু দিল্লীৰ পাৰ্ল একাডেমী লগতে উত্তৰ-পূব হস্তশিল্প আৰু তাঁত উন্নয়ন নিগমৰ সহযোগত তিনিদিনীয়াকৈ আয়োজন কৰা এই কৰ্মশালাটি বিশিষ্ট লোকশিল্পী গোলাপ বৰাৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। পিছত আমন্ত্ৰিত অতিথিসকলক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। উক্ত অনুষ্ঠানটিৰ আৰম্ভণিতে লোকশিল্পী গোলাপ বৰাই এটি টোকাৰি গীত পৰিৱেশন কৰে। অসমৰ সত্ৰীয়া চিত্ৰকলাৰ প্ৰশিক্ষক, বিশিষ্ট পুথিচিত্ৰ শিল্পী সুজিত দাসে অসমৰ পুথিচিত্ৰৰ ইতিহাস সম্পৰ্কে আলোচনা আৰু আলোকচিত্ৰৰ যোগেদি অসমীয়া পুথিচিত্ৰৰ ভিন্ন শৈলীসমূহ যেনে সত্ৰীয়া, ৰজাঘৰীয়া, লোকশৈলী আৰু তাই শৈলীৰ চিত্ৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। লগতে সাঁচিপাত প্ৰস্তুতকৰণ আৰু হেঙুল-হাইতালেৰে কিদৰে সাঁচিপতীয়া চিত্ৰ প্ৰস্তুত কৰা হয় তাৰ প্ৰশিক্ষণ দিয়ে। উল্লেখ্য যে প্ৰশিক্ষণ চলি থকা অৱস্থাত উক্ত কৰ্মশালাত মাজতে বিশিষ্ট বাঁহীবাদক পায়েল ঘোষে বাঁহী পৰিৱেশন কৰি এটি মধুময় বাতাৱৰণৰ সৃষ্টি কৰে। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমৰ পুথিচিত্ৰক প্ৰচাৰ-প্ৰসাৰ কৰাৰ বাবে আৰ্ট ভিলেজ আৰু এন ই এইচ এইচ ডি ছিৰ এই পদক্ষেপ অতি প্ৰশংসনীয় বুলি নগাঁৱৰ সচেতন মহলে মত ব্যক্ত কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অৰুণোদয় আঁচনি প্ৰদানৰ নামত

নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই গাঁও পঞ্চায়ৰ বুথসমূহত দুখীয়া দৰিদ্ৰ, বিকলাংগ, তালাক হোৱা মহিলা, বিধৱা মহিলাৰ বিপৰীতে তালিকাত স্থান পাইছে খোদ বাচনি কমিটিৰ পৰিয়ালৰ লোকে। ডাঙৰ ডাঙৰ অট্টালিকা থকা ধনী লোকৰ নাম। মৰিগাঁও জিলাৰ মৈৰাবাৰী, উলুবাৰী, লেংৰিবৰী, লোচনাবৰী, তাঁতীকটা আদি ঠাইত অৰুণোদয় আঁচনিত ধনৰ বিনিময়ত তালিকাত নাম অন্তৰ্ভুক্ত তথা ধন দিব নোৱাৰাত তালিকাৰপৰা নাম কৰ্তন কৰাৰ ঘটনা প্ৰতিদিনে পোহৰলৈ আহিছে। জিলাখনৰ লোচনাবৰী গাঁও পঞ্চায়ত এলেকাত ২৬৫ টা বুথ কেন্দ্ৰৰ অন্তৰ্গত ঠাইত বাচনি কমিটিৰ সদস্য এমদাদুল হকৰ পৰিয়ালৰ সাতজনকৈ মহিলাৰ নাম স্বামী থকা স্বত্বেও বিধৱা সজাই নাম অন্তৰ্ভুক্ত হোৱাৰ অভিযোগ উত্থাপন হৈছে। মৈৰাবাৰী পঞ্চায়ত এলেকাত খোদ বাচনি কমিটিৰ সদস্যৰ নাম অন্তৰ্ভুক্তৰ উপৰিও চৰকাৰী পেঞ্চনপ্ৰাপ্ত মহিলাৰ নাম অন্তৰ্ভুক্ত কৰা, তাঁতীকটা গাঁও পঞ্চায়ত এলেকাত ধন লৈ তালিকাত নাম অন্তৰ্ভুক্ত কৰা, বৰচাপৰি গাঁও পঞ্চায়ত এলেকাত বাচনি কমিটিৰ সদস্যই ধন লোৱাৰ অভিযোগ, উলুবাৰী গাঁও পঞ্চায়ত এলেকাত বিজেপি দল নকৰা লোকৰ নাম কৰ্তন কৰাৰ অভিযোগ তথা পূৰ্বে প্ৰাপ্য হিতাধিকাৰীৰ নাম কৰ্তন কৰি অযোগ্য মহিলাৰ নাম অন্তৰ্ভুক্ত কৰাৰ অভিযোগ উত্থাপিত হৈছে। উপৰোক্ত অঞ্চলবোৰত আঁচনিৰপৰা বঞ্চিত মহিলাসকলে চৰকাৰলৈ কাতৰ আহ্বান জনাই বাচনি কমিটিৰ সদস্যসকলৰ বিৰুদ্ধে প্ৰতিবাদপৰ্যন্ত কৰা পৰিলক্ষিত হৈছে। চৰকাৰে দৰিদ্ৰ, বিকলাংগসকলৰ সুবিধাৰ্থে আগবঢ়োৱা আঁচনিৰ নামত লাহৰিঘাট বিধানসভাৰ অন্তৰ্গত উপৰোক্ত অঞ্চলবোৰত এনেদৰে সংঘটিত হোৱা অনিয়মৰ বিৰুদ্ধে বহু বঞ্চিত হিতাধিকাৰীয়ে মৰিগাঁও জিলা আয়ুক্তৰ ওচৰত লিখিত আবেদনো দাখিল কৰিছে। সমান্তৰালকৈ জিলা আয়ুক্তই অৰুণোদয় আঁচনিৰ নামত সংঘটিত হোৱা অনিয়ম সন্দৰ্ভত তদন্তও ঘোষণা কৰিছে। ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ দ্বাৰা মহিলাসকলক কিঞ্চিত সহায় আগবঢ়াবলৈ কৰা প্ৰয়াসত একাংশ স্বাৰ্থলোভী লোকে নিজৰ মুনাফা অৰ্জনৰ উদ্দেশ্যৰে একাংশই সংঘটিত কৰা অনিয়মৰ বিৰুদ্ধে কেনে ব্যৱস্থা গ্ৰহণ কৰিব সেয়া সময়ত হ'ব লক্ষ্যণীয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ দ্বি-বাৰ্ষিক

কাৰ্যসূচীৰে আৰম্ভ হোৱা অধিৱেশনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ প্ৰতিষ্ঠাপক সভাপতি অখিল চন্দ্ৰ দাসক বিশেষভাৱে শ্ৰদ্ধা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত প্ৰয়াত অখিল চন্দ্ৰ দাসৰ সুযোগ্য পুত্ৰ চিণ্টু দাসে বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতে নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি কনক হাজৰিকাৰ সভাপতিত্ব অনুষ্ঠিত হয় প্ৰতিনিধি সভা আৰু বিষয়-বাচনি সভা। সভাখনি উদ্বোধন কৰে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ পায়েঙে। উদ্বোধনী ভাষণত ড° পায়েঙে কয় যে সাংবাদিকসকলেহে ৰাইজক, সমাজখনক অতি ওচৰৰ পৰা অধ্যয়ন কৰাৰ সুযোগ পায়। সেয়েহে সাংবাদিকসকল সমাজৰ প্ৰকৃত গৱেষক। নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি মেধিয়ে আদৰণি ভাষণ দিয়া আৰু সাংবাদিক জ্যোতিপ্ৰসাদ বৰাই সামগ্ৰিকভাৱে আঁতধৰা সভাখনত অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মা, সাংগঠনিক সম্পাদক বশিষ্ঠদেৱ ফুকন, প্ৰচাৰ সম্পাদক অখিল কলিতা, কাৰ্যালয় সম্পাদক হেমন্ত বৰ্মন, কাৰ্যনিৰ্বাহ সদস্য ভাস্কৰ শৰ্মা, সোণাধৰ ডেকা আদিয়ে ভাষণ দিয়ে। এই সভাত বাৰ্তাজীৱী সংঘৰ নেতৃত্বই সাংবাদিকৰ সুৰক্ষা, সাংবাদিকৰ নগদবিহীন বীমা, সাংবাদিক পেঞ্চন বৃদ্ধি কৰাৰ লগতে পেঞ্চনাৰৰ সংখ্যা বৃদ্ধি কৰা, বাতৰি কাকতৰ প্ৰচলন পূৰ্বৰ দৰে বৃদ্ধি কৰা আদি বিষয়সমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। অধিৱেশনৰ অন্তত মত-বিনিময় অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। এই অধিৱেশনত নগাঁও জিলা বাৰ্তাজীৱী সংঘৰ পুৰণি সমিতিখন ভংগ কৰি দুবছৰৰ কাৰ্যকালৰ বাবে সৰ্বসন্মতিক্ৰমে এখন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে। অসম বাৰ্তাজীৱী সংঘৰ নগাঁও জিলা সমিতিৰ আগন্তুক দুবছৰীয়া কাৰ্যকালৰ নৱ-নিৰ্বাচিত সমিতিখনত মুনীন্দ্ৰ শইকীয়া আৰু হেমেন কুমাৰ দাসক উপদেষ্টা, কনক হাজৰিকাক সভাপতি, মুৰুলী বৰুৱা আৰু মিজু বৰাক উপ-সভাপতি, ভাস্কৰজ্যোতি মেধিক সাধাৰণ সম্পাদক, জ্যোতিপ্ৰসাদ বৰাক সহকাৰী সম্পাদক, বিৰেন বৰা আৰু ৰঞ্জন বৈৰাগীক সাংগঠনিক সম্পাদক, প্ৰসেনজিৎ মণ্ডলক প্ৰচাৰ সম্পাদক, প্ৰাঞ্জল বৰদলৈক পত্ৰিকা সম্পাদক, সোনমণি দাসক কাৰ্যালয় সম্পাদকৰ উপৰিও কাৰ্যনিৰ্বাহক সদস্য হিচাপে জয়ন্ত বৰা, মৃগেন কুমাৰ নাথ, তীৰ্থ বৰা, বিভূতি বৰা, যতীন শইকীয়া, দিপেন শইকীয়া, হিমাংশু কাকতি, দিবাকৰ ডেকা আৰু সুৰুজ কুমাৰ বৰাক মনোনীত কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিনবোৰ ভাল হওক

পাই দেখিলে পলম হৈ গ'ল, চাহৰ কাপটো হাতত লওঁতেই পিচলি চাৰ্টৰ ওপৰতে পৰি থাকিল, দৌৰাদৌৰিকৈ গৈ বাছষ্টেণ্ডত থিয় হৈ মানেই দেখিলে যে পান জপাদি এগালমান যাত্ৰীক জাপি এইমাত্ৰ গুচি গৈছে বাছখন, খোজ কাঢ়ি যাও বুলি ভাৰোতেই নামি আহিল বৰষুণজাক...! যেন এই বিশ্বব্ৰহ্মাণ্ডখনেই আপোনাৰ লগত খেল খেলিবলৈ আৰম্ভ কৰিছে।

কিন্তু এনে এটা দিন আপোনাৰ জীৱনলৈ আহিলেও আপুনি ভাগি পৰাৰ মুঠেও দৰকাৰ নাই। যিমান বেয়া দিন আপুনি দেখিছে, তাতকৈও বেয়া দিনৰ মাজেৰেই আন বহুতে কৰি গৈছে জীৱনৰ সংগ্ৰাম। এনে সান্তনাৰ পিছতো যদি আপুনি হতাশা অনুভৱ কৰে, তেন্তে মনত ৰাখিব- ভিয়েনা বিমানবন্দৰত এনে এখন ডেস্ক আছে, যিয়ে ভুল বিমানযাত্ৰীক সঠিক বাট দেখুৱায়। কিয়নো বহু বিমান যাত্ৰীয়ে নামৰ বিসংগতিৰ বাবে অষ্ট্ৰেলিয়াৰ সলনি উপস্থিত হয় অষ্ট্ৰিয়াত। হয়, আপুনি ঠিকেই পঢ়িছে- কেতিয়াবা মানুহে এই দুখন দেশৰ নামত ভুল কৰি এখন সম্পূৰ্ণ বেলেগ মহাদেশত উপস্থিত হয়! কিন্তু তেওঁলোকক অসহায় অৱস্থাত এৰি নিদি, তাত স্থাপন কৰা বিশেষ ডেস্কে তেনে যাত্ৰীসকলক সহায়ৰ হাত আগবঢ়ায়। কথাটো হ'ল- যদি তেওঁলোকে এনে ভুল সামৰিব পাৰে, তেন্তে আমিও আমাৰ দৈনন্দিন সমস্যাবোৰ হাঁহি মুখেৰে সমাধান কৰিব পাৰোঁ।

অসমত বাস কৰা মানুহৰ বাবে বেয়া দিন সাধাৰণ কথা। গুৱাহাটীৰ ট্ৰেফিক জামত আৱদ্ধ হোৱা হওক বা এটা গুৰুত্বপূৰ্ণ কামৰ আগতে বিদ্যুৎ নোহোৱা হওক, আমি সকলোৱে এইবোৰ অভিজ্ঞতাৰ সন্মুখীন হও। কিন্তু সুখবৰটো হ'ল- এটা বেয়া দিনক সদায় বেয়া হৈ থাকিবলৈ নিদিয়াকৈও ভাল কৰিব পাৰি। আপুনি য'তেই নাথাকক, ভিয়েনা হওক বা অসম, এটা সুৰৰ সন্ধান কৰিবলৈ সদায় উপায় থাকে।

বেয়া দিনবোৰে হঠাতে আহি আপোনাক বিস্ময়ত পেলাব পাৰে। হয়তো আপুনি পলমকৈ সাৰ পোৱাৰ বাবে স্কুল বা কলেজ ক্ষতি কৰিবলগীয়া হ'ল, অথবা হয়তো বন্ধুৰ সৈতে মনোমালিন্য হ'ল। অসমত, য'ত জীৱনৰ নিজা এক ছন্দ আছে, এই মুহূৰ্তবোৰে আমাক বেছি প্ৰভাৱিত কৰে। কল্পনা কৰক- আপুনি নদীৰ সিটো পাৰে যাবলৈ গৈ ঘাটলৈ দৌৰ লগাইছে, কিন্তু ঘাট পায় মানে দেখা পালে ফেৰীখন ইতিমধ্যে নদীৰ বুকু পাইছে, অথবা ৯ বজাত আপুনি অফিচ পাবগৈ লাগে, কোনো মন্ত্ৰীৰ কনভয় পাৰ কৰাবলৈ ৰখাই থোৱা জামৰ মাজত আৱদ্ধ হৈ পৰিছে আপুনিও, আৰু টিক টিককৈ আগবাঢ়িছে ঘড়ীৰ কাঁটা, তাৰ পিছত সন্ধিয়া প্ৰচণ্ড গৰমত ঘামি জামি ঘৰ পোৱাৰ পিছত দেখিলে কাৰেণ্ট নাই! এনে এটা দিনত যিকোনো এজন ব্যক্তিয়েই নিজকে 'আনলাকি' অনুভৱ কৰিব পাৰে।

দুৰ্ভাগ্যজনক দিনবোৰে আমাক ব্যক্তিগতভাৱে আঘাত কৰা যেন লাগে। বহু দিন আগৰ পৰাই পৰিয়ালৰ সৈতে পিকনিকলৈ যাম বুলি দিন এটা ঠিক কৰিছিল, কিন্তু নিৰ্দিষ্ট দিনটোত পুৱাৰে পৰা ধাৰাসাৰ বৰষুণ- কোনো ক'তো ওলাব নোৱাৰা অৱস্থা। নতুবা এটকা এটকাকৈ সাঁচি বজাৰলৈ অহা নতুন স্মাৰ্ট ফোনটো কিনি ঘৰলৈ আহিছেহে মাত্ৰ, জেপৰ পৰা পৰি ডিচপ্লে খনেই ভাঙি থাকিল! এনেবোৰ ঘটনাই আমাৰ মন-মগজুত ক্ৰিয়া কৰি আপোনাক এনে ভাবলৈ বাধ্য কৰে যে হয়তো আপোনাৰ গ্ৰহ-নক্ষত্ৰবোৰেই বেয়া চলি আছে। কিন্তু এটা কথাত আমি সদায় গুৰুত্ব নিদিওঁ- দিনটো কেৱল ঘটনাবোৰৰ বাবেই “বেয়া” নহয়, ই আমাৰ দৃষ্টিভংগীৰ ওপৰতো নিৰ্ভৰ কৰে। যদি আপুনি নেতিবাচক কথাবোৰত মনোনিৱেশ কৰে, তেন্তে সেইবোৰ ডাঙৰ হৈ পৰে। কিন্তু যদি আপুনি অলপ বৈ নিজৰ দৃষ্টিভংগী সলনি কৰে, তেন্তে হয়তো আপুনি হাঁহি বা নতুনকৈ শিকিবলৈ সুযোগ এটা পাব পাৰে।

ভিয়েনা বিমানবন্দৰৰ কাহিনীটোৰ কথা ভাবক। কল্পনা কৰক—আপুনি অষ্ট্ৰেলিয়াৰ সলনি অষ্ট্ৰিয়াত উপস্থিত হৈছে, কেংগাৰু আৰু সাগৰৰ সৈতে সাক্ষাৎ কৰিবলৈ ওলাইছে, কিন্তু সলনি তাত তুষাৰ আৰু শ্নিটজেল পালে। এটা দুৰ্যোগ, নহয় জানো? কিন্তু বিমানবন্দৰটোৱে ইয়াক এক আনন্দদায়ক কাহিনীলৈ ৰূপান্তৰ কৰে। এই দৃষ্টিভংগীটো আমিও গ্ৰহণ কৰিব পাৰোঁ, সমস্যাবোৰ ইতিবাচক চিন্তা আৰু হাঁহিৰে সমাধান কৰিব পাৰো।

কিন্তু ইতিবাচক চিন্তা মানেই এয়া নহয় যে জীৱনত সকলো ঠিকে আছে বুলি অভিনয় কৰা। ইয়াৰ অৰ্থ হ'ল- আপুনি সমস্যাবোৰ এটা নতুন আশা আৰু এটা পৰিকল্পনাৰ সৈতে সমাধান কৰিবলৈ চেষ্টা কৰা। কথাটো এনেদৰে আপুনি ভাৱি লওক যে এটা ৰৌদ্ৰজ্বল দিনত আপুনি এযোৰ চানগ্লাছ পিন্ধিছে। ইয়ে সূৰ্যক সলনি নকৰে, কিন্তু ইয়ে চকুৰ পৰা তীব্ৰতা কমাই দিয়ে। যেতিয়া আপুনি ডিব্ৰুগড়লৈ যোৱাৰ পথত ট্ৰেফিক জামত আৱদ্ধ হয়, তেতিয়া আপুনি খং কৰিব পাৰে, বা হয়তো ইয়াৰ সলনি হেডফোন লগাই জুবিন গৰ্গৰ গান শুনিব পাৰে। যেতিয়া বৰষুণে আপোনাৰ পৰিকল্পনা ভংগ কৰে, তেতিয়া ই এটা সুযোগ হ'ব পাৰে একাপ চাহৰ সৈতে খিৰিকিৰ কাষত বহি দিনটোক আমেজেৰে লুটিয়াই চোৱাৰ।

ইয়াক কিয় গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয়? প্ৰথমতে, ই আপোনাৰ বাবে ভাল। গৱেষণাই কয় যে ইতিবাচক চিন্তাই মানসিক চাপ কমায়, মন ভাল কৰে আৰু কঠিন সময়বোৰৰ পৰা সোনকালে ওলাই অহাত সহায় কৰে। কিন্তু বিজ্ঞানৰ বাহিৰেও, ই জীৱনক সুন্দৰ কৰে। অসমত, আমি প্ৰত্যাহ্বানবোৰৰ সৈতে পৰিচিত —বানপানী, তাপপ্ৰবাহ আদি। তথাপিও আমি আগবাঢ়ি যাওঁ। এই সহনশীলতা আমাৰ মাজত ইতিমধ্যে আছে, আৰু ইতিবাচক চিন্তাই ইয়াক মাত্ৰ শানিত কৰে।

বিহুলৈয়ে চাওঁকচোন- বিহু আমাৰ আনন্দৰ উৎসৱ। কিন্তু এই বিহুৰ আগৰ দিনবোৰ কিমান যে কষ্টকৰ। খেতিয়কৰ পৰিশ্ৰম, বানৰ তাণ্ডৱ আৰু ক'ত কিমান যে বাধা-বিঘিনি! কিন্তু তথাপিও আমি নাচোঁ, গাওঁ আৰু ভোজ কৰোঁ। ইয়েই হ'ল ইতিবাচক চিন্তা, জীৱনত সকলো ঠিক নহ'লেও ভালবোৰক উদযাপন কৰা।

দুৰ্ভাগ্যক সৌভাগ্যলৈ ৰূপান্তৰিত কৰাৰ অলেখ উদাহৰণ আমাৰ চৌদিশত আছে। অৰুণিমা সিনহাও তেনেই এগৰাকী যুৱতী। অৰুণিমা ভাৰতৰ এগৰাকী প্ৰতিভাসম্পন্ন ভলীবলৈ খেলুৱৈ আছিল। কিন্তু ট্ৰেইনৰ পৰা পৰি এখন ভৰি হেৰুওৱাৰ পিছত সলনি হৈ পৰিছিল তেওঁৰ সমগ্ৰ জীৱন। বেছিভাগ লোকে ইয়াক এটা দুৰ্ভাগ্যজনক ঘটনা বুলি ক'ব পাৰে। কিন্তু অৰুণিমাই জীৱনক এক নতুন বাট দিলে। এখন ভৰি নথকা স্বত্বেও মাউণ্ট এভাৰেষ্ট আৰোহণৰ সিদ্ধান্ত ল'লে অৰুণিমাই। তেওঁৰ দৃঢ়তা আৰু ইতিবাচক চিন্তাৰ জৰিয়তে তেওঁ প্ৰথম বিকলাংগ মহিলা হিচাপে শিখৰত উপস্থিত হ'ল। তেওঁৰ কাহিনীটো কেৱল প্ৰেৰণাদায়ক নহয়, এয়া হতাশাক কৰা প্ৰত্যাখ্যানৰ নজিৰ। ভিয়েনা বিমানবন্দৰৰ যাত্ৰীসকলৰ কথা ভাবক। অষ্ট্ৰেলিয়াৰ সলনি অষ্ট্ৰিয়াত উপস্থিত হোৱাটো তেওঁলোকৰ বাবে এটা দুঃস্বপ্ন হ'ব পাৰিলেহেঁতেন। কিন্তু বিমানবন্দৰৰ এখন ডেস্কৰ সহায়ত এই যাত্ৰা তেওঁলোকৰ বাবে আনন্দদায়ক হৈ পৰে। এনেবোৰ ঘটনাই এই কথাই শিকায় যে বেয়া দিনবোৰ ভাল কৰাৰ মন্ত্ৰ আপোনাৰে হাতত আছে।

কোনোৱে জানো কৈছিল- সুখী হোৱাৰ অৰ্থ কেতিয়াও দুখ নকৰা নহয়। গাড়ীৰে গৈ থাকোতে আধা বাটত ষ্টাৰ্ট বন্ধ হৈ যোৱা, পৰীক্ষাত অকৃতকাৰ্য হোৱা বা আপোনজনৰ সৈতে মনোমালিন্য ঘটা জীৱনৰ কিছুমান স্বাভাৱিক পৰিস্থিতি। কিন্তু ইতিবাচ চিন্তা এনে পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ আপোনাৰ বাবে এটা ছাতি হ'ব পাৰে। ছাতিয়ে বৰষুণ ৰুধিব নোৱাৰে, কিন্তু আপোনাক বৰষুণত ভিজাৰ পৰা নিশ্চয়কৈ ৰক্ষা কৰিব পাৰে।

সঁচাকৈয়ে ক'বলৈ গ'লে- কেতিয়াবা দিনবোৰ বেয়া হয়, আৰু সেইটো স্বাভাৱিক। যেতিয়া আপোনাৰ বাইকখন বেয়া হয় বা পৰিকল্পনা ভংগ হয়, তেতিয়া আপুনি অসন্তুষ্ট হ'ব পাৰে। ইতিবাচক চিন্তা কৰাটো এয়া নহয় যে আপুনি জোৰকৈ হাঁহিবলৈ চেষ্টা কৰে। আপুনি যি অনুভৱ কৰে, তাক অনুভৱ কৰক- বন্ধুক কৈ দিয়ক, লিখক, বা প্ৰয়োজন হ'লে গাৰু এটাত ঘোচা এটা মাৰি মনৰ সকলো ক্ষোভ উজাৰি দিয়ক। তাৰ পিছত, যেতিয়া আপুনি সাজু হয়, তেতিয়া নিজকে আগবঢ়াই নিয়ক।

# পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ পূৰ্ণাংগ অধিৱেশনৰ সামৰণি

**ই-সংবাদ, পুৰণিগুদাম, ২৩ মাৰ্চঃ** নগাঁও জিলাৰ পুৰণিগুদাম পথাৰআগ গাঁৱৰ ৰাইজ আৰু বিষ্ণু ৰাভা যুৱক সংঘৰ ব্যৱস্থাপনাত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ ৭০ বৰ্ষীয় পূৰ্ণাংগ অধিৱেশনখন আজি দিনজোৰা কাৰ্যসূচীৰে চাৰিআলি হেমবৰুৱা উচ্চ বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি আজি পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সভাপতি ৰবীন্দ্ৰ নাথ কলিতা আৰু বিষ্ণু ৰাভা যুৱক সংঘৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰদীপ বৈৰাগীয়ে। স্মৃতি তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি পৰেশ শইকীয়াই। ইয়াৰ পাছতেই অনুষ্ঠিত হোৱা কবি সন্মিলন উদ্বোধন কৰে বিশিষ্ট কবি, সাহিত্যিক তথা নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰাণ কুমাৰ বৰুৱাই। বিশিষ্ট লেখক-সমালোচক মোহিনী মোহন ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা কবি সন্মিলনখনত নগাঁও জিলাৰ লগতে পুৰণিগুদাম অঞ্চলৰ কেইবাগৰাকী কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। দিনৰ দুই বজাৰপৰা মুকলি সভা অনুষ্ঠিত হয়। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সভাপতি ৰবীন্দ্ৰ নাথ কলিতাৰ সভাপতিত্বত প্ৰথম খণ্ডৰ মুকলি সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ গায়নে। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক চিত্তৰঞ্জন বৰাই আঁতধৰা মুকলি সভাখন উদ্বোধন কৰে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাটৰ আৰু চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত চন্দ্ৰ মহন্ত, নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি মৃণাল কুমাৰ হাজৰিকা, ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস আৰু নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ হাজৰিকা। নিৰ্দিষ্ট বক্তা হিচাপে অৱসৰপ্ৰাপ্ত অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ লগতে বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে। সভাত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ অন্তৰ্গত অসম সাহিত্য সভাৰ আজীৱন সদস্যসকলক বিশেষভাৱে সম্ভাষণ জনোৱা হয়। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি বিমল গোহাঁইৰ সভাপতিত্বত দ্বিতীয় খণ্ড মুকলি সভাত দুৰ্লভ পৱন বৰুৱাই তেওঁৰ পিতৃ আৰু মাতৃৰ সোঁৱৰণত আগবঢ়োৱা 'পৱন চন্দ্ৰ বৰুৱা, কমলা বৰুৱা সোঁৱৰণী শ্ৰেষ্ঠ সাহিত্য সংগঠক বঁটা' প্ৰদান কৰা হয় পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক আৰু বৰ্তমানৰ কাৰ্যকৰী সভাপতি দ্বিজেন্দ্ৰ মোহন শইকীয়াক। উক্ত সভাত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক যুগলচন্দ্ৰ দেৱগোস্বামী, সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়ন, লংকেশ্বৰ গায়ন, পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক যজ্ঞৰাম শইকীয়া আৰু হোমেশ্বৰ শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। লগতে সভাখনত বৃহত্তৰ পুৰণিগুদামৰ ভিতৰত ২০২৩ আৰু ২০২৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা মৰহুম দানিয়েল আহমেদ হাজৰিকা সোঁৱৰণী ন্যাস বঁটা আৰু গণিত বিষয় ৰূপা গায়ন ভূঞাই আগবঢ়োৱা অৰুণ চন্দ্ৰ ভূঞা সোঁৱৰণী ন্যাস বঁটা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয়। উক্ত সভাত চিত্তৰঞ্জন বৰাৰ সম্পাদনাত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ পত্ৰিকা উন্মোচন কৰে বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাটৰে। উক্ত সভাতেই ড° নৃপেন চন্দ্ৰ দাসৰ ইতিহাস আৰু সংস্কৃতি প্ৰসংগ প্ৰবন্ধ সংকলন আৰু উপন্যাস সংকলন প্ৰথম প্ৰহৰৰ অন্তত, ড° অঞ্জলি শৰ্মা গোস্বামীৰ সংগ্ৰামী আদৰ্শ চাৰু চন্দ্ৰ গোস্বামীৰ জীৱন পৰিক্ৰমা লেখিকা চেনেহী ফুকনৰ সুৰভি কবিতা সংকলন, শেৱালি বৰুৱা শইকীয়াৰ ৰজাই হুকুম দিছে নামৰ গ্ৰন্থৰ লগতে কেইবাগৰাকী লেখক-লেখিকাৰ গ্ৰন্থ উন্মোচন কৰা হয়। আজি অনুষ্ঠানত কেবাজনো শিল্পীয়ে গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে বুলি অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰদীপ বৈৰাগী আৰু সম্পাদক বিৰিঞ্চি কুমাৰ বৰাৰ লগতে পুৰণিগুদাম শাখা সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ গায়নে জানিবলৈ দিয়ে।

# সম্প্ৰীতি-সমন্বয়ৰ বাণীৰে পশ্চিম নলবাৰী কেন্দ্ৰীয় মছজিদত সমূহীয়া ইফটাৰ সাত শতাধিকৰ

**ই-সংবাদ, চামতা, ২৩ মাৰ্চঃ** পশ্চিম নলবাৰীৰ চামতাৰ কেন্দ্ৰীয় মছজিদত আজি সমূহীয়া ইফতাৰ অনুষ্ঠিত হৈ যায়। হিন্দু-মুছলমানৰ সাতামপুৰুষীয়া ঐক্য-সংহতি পুনৰবাৰ প্ৰতিয়মান কৰিলে পশ্চিম নলবাৰীবাসীয়ে। চামতাস্থিত কেন্দ্ৰীয় মছজিদত কেন্দ্ৰীয় মছজিদ পৰিচালনা সমিতিয়ে আয়োজন কৰা সমূহীয়া ইফটাৰ কাৰ্যসূচীত পশ্চিম নলবাৰী অঞ্চলৰ সাত শতাধিক হিন্দু-মুছলমান লোকে একেলগে বহি ইফটাৰ কৰে। নলবাৰী জিলাৰ শিক্ষা-সংস্কৃতিত অতি আগবঢ়া পশ্চিম নলবাৰী অঞ্চলত যুগ যুগ ধৰি হিন্দু-মুছলমানে ভাতৃত্ববোধেৰে সমিলমিলেৰে বসবাস কৰি আহিছে। কোনো অপশক্তিয়ে আজিলৈকে এই ভাতৃত্ববোধৰ এনাজৰীত ব্যাঘাত জন্মাব পৰা নাই। ইফতাৰৰ পূৰ্বে কেন্দ্ৰীয় মছজিদ সমিতিৰ সম্পাদক ইনামুল মজিদ আৰু সাংস্কৃতিক কৰ্মী উদ্ধৱ ঠাকুৰীয়াই আঁতধৰা আৰু মছজিদ পৰিচালনা সমিতিৰ সভাপতি ইয়াকুব আলীৰ সভাপতিত্বত অনুষ্ঠিত মতবিনিময় অনুষ্ঠানত চামতা আঞ্চলিক ক্ৰীড়া



সংঘৰ সম্পাদক বিকাশ ভট্টাচাৰ্য, চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ বিৰেন্দ্ৰ নাথ বৰ্মন, শিক্ষাবিদ বলেন গোস্বামী, বিশিষ্ট সমাজকৰ্মী মইনুল আলী, ক্ৰীড়া সংগঠক বিনয় ভূৰণ দত্ত, প্ৰাক্তন পঞ্চায়ত সভাপতি ক্ৰমে দীনেশ ঠাকুৰীয়া, ৰাণু বৰ্মন, নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজ উদ্দিন আহমেদ, পশ্চিম নলবাৰী ৰঙালী বিহু সন্মিলনীৰ প্ৰাক্তন সভাপতি কিশোৰ কুমাৰ তালুকদাৰ, জ্যেষ্ঠ সাংবাদিক এম মহিবৰ ৰহমান, শিক্ষাবিদ এম হাচান আলী, সাংবাদিক ক্ৰমে ৰাজেন বৈশ্য, প্ৰদীপ বৰ্মন, আৰিফুল হক, তপন কুমাৰ শৰ্মা, চাইদুল ইছলাম, অতুল ভূঞা, সাংস্কৃতিক কৰ্মী গৌতম বৰ্মন, কবি ৰাজীৱ দত্ত, চিত্ৰশিল্পী বিনয় শৰ্মা, অনাঁতাৰ শিল্পী তবিবৰ ৰহমানকে ধৰি কেবাটাও সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকে। মত-বিনিময় অনুষ্ঠানৰ অন্তত বিশ্বশান্তিৰ বাবে সমূহীয়া দোৱা সমাপন কৰা হয়।

# তিনিচুকীয়াত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৩ মাৰ্চঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা আজি তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ আতিথ্যত তিনিচুকীয়া মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত কৰ্মচাৰী সমাজৰ বিভিন্ন অভাৱ-অভিযোগ সম্পৰ্কত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে দেখুৱা আগ্ৰহক সভাই আদৰণি জনায়। সভাত পৰিষদে কৰ্মচাৰীসকলৰ সমস্যাসমূহ সমাধানৰ বাবে মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিয়েই দায়িত্ব শেষ নকৰি আলোচনাকালত গ্ৰহণ কৰা সিদ্ধান্তসমূহ কাৰ্যকৰীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগতে ইয়াৰ বাবে বিধিগত ৰূপৰেখা অসম বিধানসভাত প্ৰস্তুত কৰাত সন্তুষ্টি প্ৰকাশ কৰে। উল্লেখ্য যে সদৌ অসম কৰ্মচাৰী পৰিষদে ৰাজ্য চৰকাৰক দাবী জনাই অহা ১৫ লাখৰ পৰা ৩০ লাখলৈ গৃহঋণ বৃদ্ধি, কৰ্মচাৰীৰ বাবে বিনামূলীয়া বীমা আঁচনিৰ সুবিধাৰ বাবে পাঁচটা ৰাষ্ট্ৰীয়কৃত বেংকৰ লগত চুক্তিবদ্ধ হোৱা, চৰকাৰী চিকিৎসালয়ত এপ্ৰিল মাহৰপৰা বিনামূলীয়া স্বাস্থ্য বীমা আঁচনি আৰম্ভ কৰা আৰু ইয়াৰ বাবে কাৰ্ডৰ ব্যৱস্থা কৰা, স্নাতক স্কেল প্ৰদান কৰা, এস্ক কেডাৰ পদোন্নতিৰ ব্যৱস্থা কৰা, পুৰণি পেঞ্চন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা, চাকৰিৰ কাৰ্যকাল ৬২ বছৰলৈ বৃদ্ধি কৰা, ২০২৬ চনৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা সংশোধনীৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰা, মাষ্টাৰৰোল ৱৰ্কাৰ্ছ শ্ৰমিকৰ চাকৰি নিয়মীয়া কৰা আদিৰ ক্ষেত্ৰত চৰকাৰে যোগাত্মক দৃষ্টিভংগীৰে আগবঢ়াৰ আশ্বাস প্ৰদান কৰা বিষয়টো এক আশাৰ বতৰা বুলি আজিৰ সভাই মতপোষণ কৰাৰ লগতে শিক্ষকৰ পদোন্নতি, আৰ্জিত ছুটীকে ধৰি বিভিন্ন বিষয়ত পৃথকে আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্তসমূহো কাৰ্যকৰী কৰিবলৈ চৰকাৰক আহ্বান জনায়। সেইদৰে বেতন সুৰক্ষাসহ সকলো ঠিকাভিত্তিক শিক্ষক-কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰা, প্ৰাদেশিকীকৰণৰ চৰ্তসমূহ শিথিল কৰি শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশিকীকৰণ কৰা, এককালীন সাহায্য প্ৰদান কৰা, শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ কৰা, প্ৰাদেশিকীকৰণৰ সময়ত বৈ যোৱা বঞ্চিত শিক্ষক-কৰ্মচাৰীসকলৰ চাকৰিৰ নিৰাপত্তা নিশ্চিত কৰা আদি বিষয়সমূহো সভাত আলোকপাত কৰা হয়। আজিৰ সভাই একাদশ শ্ৰেণীৰ পৰীক্ষাৰ প্ৰশ্নকাকত ধাৰাবাহিকভাৱে ফাদিল হোৱাৰ ফলত পৰীক্ষা পিছুৱাব লগা বিষয়ত গভীৰ উদ্বেগ প্ৰকাশ কৰি ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক মানসিকভাৱে নিৰ্যাতন দিয়াসকলক শাস্তি প্ৰদানৰ দাবী তোলাৰ লগতে পৰীক্ষাৰ দুৰ্বল ব্যৱস্থাপনাৰ পুনৰ নিৰীক্ষণ কৰি অদক্ষ বিষয়া-কৰ্মচাৰীসকলক অব্যাহতি দিবলৈও দাবী উত্থাপন কৰে।

# যোৰহাটত শিল্পী হীমা ৰাণী কলিতাৰ আঠটি বনগীত উন্মোচন

**ই-সংবাদ, যোৰহাট, ২৩ মাৰ্চঃ** চিনামৰা বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংগীত শিক্ষয়িত্ৰী তথা গীতিকাৰ হীমা ৰাণী কলিতাৰ সুৰাৰোপিত আঠটি বনগীত আজি যোৰহাট ক্লাব ৰোডৰ ষ্টুডিঅ' ষ্ট্ৰিংত উন্মোচন কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী নাৰায়ণ ভূএগ্ৰাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত গীতসমূহ উন্মোচন কৰি ১৯৮০ চনৰপৰাই ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰযোগে বনগীত গোৱা নীলকান্ত শইকীয়াই অসমীয়া সংস্কৃতি পথৰুৱা সংস্কৃতি বুলি উল্লেখ কৰি বনগীতে গ্ৰাম্য জীৱনক প্ৰতিফলিত কৰে বুলি প্ৰকাশ কৰে। দীৰ্ঘকালে বনগীতৰ চৰ্চা কৰা শিল্পীজনে বনগীতক উজ্জীৱিত কৰাৰ বাবে হীমা ৰাণী কলিতাই গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। যোৰহাট অনাতাঁৰ শিল্পী মঞ্চৰ সম্পাদক কেশৱ চন্দ্ৰ বৰাই আঁতধৰা অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী ডাঃ দেৱজিৎ শৰ্মাই নৱপ্ৰজন্মক বনগীতৰ চৰ্চা কৰিবৰ কাৰণে আহ্বান জনায়। প্ৰবীণ সংগীত সাধক লক্ষী দত্তৱো সভাত বক্তব্য প্ৰদান কৰে।



অনুষ্ঠানত গায়িকা হীমা ৰাণী কলিতাই অনুভৱ ব্যক্ত কৰি শ্ৰোতাই গীতসমূহ আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। লক্ষী দত্ত সোঁৰণী সদৌ অসম মফচলীয় সাংবাদিক বঁটা লাভ কৰা ৰমেন শইকীয়াক অনুষ্ঠানত অভিনন্দন জনায়। গীত উন্মোচনী অনুষ্ঠানত দুলাল দত্ত, ইন্দ্ৰানী দেৱী, সাধনা বৰপূজাৰী, বুলু ভৰালী, নিযুত দত্ত, নৱেন্দ্ৰ নাথ দত্ত, পৰেশ কলিতা, অশোক বৰা, অঞ্জন বৰা, অনিন্দিতা বৰা, চিম্পি ভৰালী প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। গীতকেইটি ইউ টিউবত উপলব্ধ হ'ব বুলি ব্যৱস্থাপক দেৱাশিস বৰাই জনাইছে।

# ভূৰাগাঁৱত আটক ৩ ড্ৰাগছ সৰবৰাহকাৰী

**ই-সংবাদ, লাহৰীঘাট, ২৩ মাৰ্চঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আৰক্ষীৰ জালত পৰিছে ড্ৰাগছসহ তিনি ড্ৰাগছ সৰবৰাহকাৰী। মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু ভূৰাগাঁও আৰক্ষীয়ে বৰালীমাৰী অঞ্চলত শুক্ৰবাৰে আবেলি গোপন সূত্ৰৰ পমখেদি গ্ৰেপ্তাৰ কৰে তিনিটাকৈ ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীকেইটা ক্ৰমে তইবুৰ ৰহমান, ইফটিকাৰ ৰহমান আৰু ৰাবুল ইছলাম বুলি জানিব পৰা গৈছে। সৰবৰাহকাৰী কেইটাৰ পৰা ৮৮ গ্ৰাম ড্ৰাগছসহ দুখন বাইক আৰু ৩ টা ম'বাইল জব্দ কৰে অভিযানকাৰী আৰক্ষীৰ দলে। ধৃত তইবুৰ আৰু ইফটিকাৰৰ ঘৰ হয়বৰ গাঁৱত আৰু ৰাবুল ইছলামৰ ঘৰ বৰালিমাৰীত। বৰ্তমান তিনিওটা সৰবৰাহকাৰীক ভূৰাগাঁও আৰক্ষী থানাত অধিক তথ্য সংগ্ৰহৰ বাবে জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে। উল্লেখ্য যে, বৰালীমাৰী অঞ্চলত কিছুদিনৰ পৰা ব্যাপকভাৱে সৰবৰাহ হৈছে নিষিদ্ধ ড্ৰাগছ।

# সদৌ অসম কাৰাটে প্ৰতিযোগিতাত বেবেজীয়াৰ সফলতা

**ই-সংবাদ, বেবেজীয়া, ২৩ মাৰ্চঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে যোৱা ২১ আৰু ২২ মাৰ্চত দুদিনীয়াকৈ বিশ্ববিদ্যালয়ৰ বিষ্ণুৰাভা ৰংগ মঞ্চত অনুষ্ঠিত হোৱা বনৰীয়া ঘোঁৰা শীৰ্ষক সদৌ অসম মুকলি কাৰাটে প্ৰতিযোগিতাত নগাঁও জিলাৰ বেবেজীয়া কাৰাটে একাডেমীয়ে বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। অল আছাম কাৰাটে এছ'চিয়েছনৰ অন্তৰ্গত ডিব্ৰুগড় জিলা কাৰাটে ড' এছ'চিয়েছন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত আয়োজিত এই প্ৰতিযোগিতাত চিহান পংকজ মুদৈৰ প্ৰশিক্ষণপুষ্ট বেবেজীয়া কাৰাটে একাডেমীৰ খেলুৱৈসকলে কাটা আৰু কুমিটেৰ বিভিন্ন শাখাত অংশগ্ৰহণ কৰি মুঠ নটাকৈ পদক আজুৰি আনিবলৈ সক্ষম হয় । প্ৰতিযোগিতাখনিৰ ল'ৰাৰ চাব জুনিয়ৰ ১০ বছৰ শাখাৰ কাটাত প্ৰজ্ঞাতজ্যোতি শইকীয়াই ৰূপ, নিবিড় হাজৰিকাই কাটাত ব্ৰঞ্জ, দীপাংকৰ বৰাই ৯ বছৰ শাখাৰ কাটাত সোণ আৰু কুমিটেত ব্ৰঞ্জ, জিয়া হাজৰিকাই জুনিয়ৰ শাখাৰ কাটাত ব্ৰঞ্জ আৰু কুমিটেত ৰূপ, নয়নজ্যোতি বৰাই কুমিটেত ৰূপ, নিলোৎপল বৰাই কাটাত ব্ৰঞ্জ আৰু কুমিটেত ৰূপৰ পদক লাভ কৰি বেবেজীয়ালৈ গৌৰৱ কঢ়িয়াই আনিছে। বেবেজীয়া কাৰাটে একাডেমীৰ এনে সাফল্যত বেবেজীয়াবাসী উৎফুল্লিত হৈ পৰাৰ বিপৰীতে সকলো খেলুৱৈলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

# বনগাঁও নামঘৰত ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠানৰ আয়োজন

**ই-সংবাদ, মধ্য মাজুলী, ২৩ মাৰ্চঃ** মানৱ জাতিৰ কল্যাণ, নৱ-প্ৰজন্মৰ মাজত আধ্যাত্মিক উৎকৰ্ষ সাধনৰ উদ্দেশ্য আগত ৰাখি বিশ্ববাসীৰ শান্তি আৰু মংগল কামনাৰে পূব মাজুলীৰ ঐতিহ্যমণ্ডিত বনগাঁও নামঘৰত ৯ ব'হাগৰপৰা ১২ ব'হাগলৈ চাৰিদিনীয়াকৈ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন কৰিছে। বৃহত্তৰ বনগাঁওবাসীৰ উদ্যোগত বনগাঁও নামঘৰত আয়োজন কৰা ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ বাবে ইতিমধ্যে দিলিপ চমুৱাক সভাপতি, যজ্ঞেৰাম বৈৰাগীক উপ-সভাপতি, সুৰেন বৰাক প্ৰধান সম্পাদক, ৰাতুল কুমাৰ বৰা আৰু অনুপ কুমাৰ বৰাক সহঃ সম্পাদক হিচাপে লৈ এখন ভাগৱত উদযাপন সমিতি গঠন কৰা হয়। উক্ত অখণ্ড ভাগৱত পাঠ অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ২৩ এপ্ৰিলৰ পুৱা ৬ বজাত আয়তীসকলৰ নাম-কীৰ্ত্তন, পুৱা ৮ বজাত প্ৰয়াত জ্যেষ্ঠ বৈষ্ণৱ সকললৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত পুৱা ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব এলেঙি নৰসিংহ সত্ৰৰ ডেকা সত্ৰীয়া নৰজ্যোতি মহন্তই। পুৱা ৯ বজাত নাম-প্ৰসংগ, ১০.৩০ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠানৰ উদ্বোধন কৰিব আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামীয়ে। পুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠান ২৬ এপ্ৰিলৰ বিয়লি মণ্ডপ বিসৰ্জন আৰু সন্ধিয়ালৈ বন্তি প্ৰজ্বলনেৰে সামৰণি পৰিব। ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠানত বাখ্যাকাৰ হিচাপে অংশগ্ৰহণ কৰিব শিৱসাগৰৰ লুহিত সন্দিকৈ, মন ৰাজগুৰু, ছিলাপথাৰৰ বিমান বৰা আৰু আদি বিহিমপুৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ অতুল মহন্তই। অনুষ্ঠানটিত মাজুলীবাসী ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে গাঁও উন্নয়ন সমিতিৰ সভাপতি প্ৰফুল্ল বৰা, সম্পাদক জয়চন্দ্ৰ দোলাকাষৰীয়া আৰু সহঃ সম্পাদক বিনন্দ গায়নে।

## ঐতিহাসিক কুজি সত্ৰৰ ভৰালী, ধৰ্মপৰায়ণ ব্যক্তি কুঞ্জৰাম বৰুৱাৰ মৃত্যু

**ই-সংবাদ, বেবেজীয়া, ২৩ মাৰ্চঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তৰ ঐতিহাসিক কুজিসত্ৰ নিবাসী সমাজকৰ্মী, চি আৰ পি এফৰ অৱসৰী জোৱান, সত্ৰৰ ভৰালী, অংকীয়া ভাওনাৰ সুদক্ষ অভিনেতা, জনপ্ৰিয় পাঠক তথা ধৰ্মপৰায়ণ ব্যক্তি কুঞ্জৰাম বৰুৱাৰ দেওবাৰে পুৱা নিজা বাসগৃহত জীৱনাৱসান ঘটে। বিগত কিছুবছৰ ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ চিকিৎসকৰ পৰামৰ্শমতে ঘৰতে চিকিৎসা গ্ৰহণ কৰি থকা বৰুৱাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। ১৯৪৫ চনত জন্মলাভ কৰা বৰুৱাই হাইস্কুলীয়া শিক্ষা সমাপ্ত কৰিয়েই কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চি আৰ পি এফত যোগদান কৰি নিষ্ঠাৰে দেশৰ হকে সেৱা আগবঢ়াই অৱসৰগ্ৰহণ কৰাৰ পিছৰেপৰা জন্মভূমি কুজিসত্ৰৰ বৈভৱময় কলা-কৃষ্টি-সংস্কৃতিৰ লগত একাত্ম হৈ ইয়াৰ সাধনাত নিজকে বিলীন কৰি দিছিল। সুন্দৰ অভিনয় শৈলীৰ দ্বাৰা নিজকে অংকীয়া ভাওনাৰ এজন সুদক্ষ অভিনেতা হিচাপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা বৰুৱাই চাকৰিৰপৰা অৱসৰগ্ৰহণ কৰাৰ পিছৰেপৰা একাত্মভাৱে সমাজসেৱাত নিজকে নিয়োজিত কৰি ৰাখিছিল। সত্ৰৰ ভৰালীৰ দৰে গুৰু দ্বায়িত্ব বহন কৰা বৰুৱা এগৰাকী সুদক্ষ পাঠক হিচাপেও ৰাইজৰ মাজত পৰিচিত আছিল। স্থানীয় অঞ্চলৰ লগতে দাঁতি-কাষৰীয়া ঠাইত অনুষ্ঠিত হোৱা ভাগৱত পাঠ অনুষ্ঠানত অংশগ্ৰহণ কৰি মধুৰ কণ্ঠৰে ৰাইজক মোহিত কৰি তোলা বৰুৱা তেওঁৰ হাস্য-ব্যংগ কথনশৈলীৰ বাবে সকলোৰে মাজত বেছ জনপ্ৰিয় আছিল। স্থানীয় প্ৰায়বোৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা বৰুৱাৰ মৃত্যুত বৃহত্তৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। সৎ, অমায়িক আৰু বাকপটু স্বভাৱৰ বৰুৱাৰ বিয়োগত নৰোৱা কুজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামীকে প্ৰমুখ্য কৰি ভকত-বৈষ্ণৱ, আই-মাতৃসকল, বটদ্ৰৱাৰ শ'লগুৰি আৰু নৰোৱা সত্ৰৰ ভকত-বৈষ্ণৱসকলৰ লগতে বিভিন্নজন আৰু বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়।

## নলবাৰীত ভগৎ সিঙক স্মৰণ

ই সংবাদ ব্যুৰ', নলবাৰী, ২৩ মাৰ্চঃ শ্বহীদ-ই-আজম ভগৎ সিং, সুকদেৱ আৰু ৰাজগুৰুৰ আজি ফাঁচীৰ দিন। এই দিনটো ছাত্ৰ সংগঠন এ আই ডি এছ অ' আৰু অল ইণ্ডিয়া মহিলা সাংস্কৃতিক সংগঠনৰ যৌথ উদ্যোগত সমগ্ৰ দেশৰ লগতে অসমতো বিভিন্ন কাৰ্যসূচীৰে যথাযোগ্য মৰ্যাদাৰে পালন কৰা হয়। তেওঁৰ চিন্তা-ভাবনা ছাত্ৰ, যুৱ আৰু মহিলা সমাজৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্য সন্মুখত ৰাখিয়েই সমগ্ৰ দেশৰ লগত সংগতি ৰাখি নলবাৰী চহৰৰ ড° ভুপেন হাজৰিকা শিশু উদ্যানৰ সন্মুখত পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰে। আজিৰ এই দিনটোতে তেওঁলোকৰ যি আকাংক্ষিত সপোন আছিল এই সপোনক বাস্তবায়িত কৰাৰ সংকল্পৰে বিপ্লৱী ছাত্ৰ সংগঠন এ আই ডি এছ অ' আৰু অল ইণ্ডিয়া মহিলা সাংস্কৃতিক সংগঠনে সমগ্ৰ দেশতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধা নিবেদন কৰে নলবাৰীৰ বিশিষ্ট সমাজসেৱক জিতেন্দ্ৰ কুমাৰ জৈনৰ লগতে এ আই ডি এছ অ'ৰ অসম ৰাজ্যিক কমিটিৰ কোষাধক্ষ মুনীন্দ্ৰ দলে আৰু মহিলা সংগঠনৰ নেতৃবৃন্দই।

# মৰিগাঁও জিলাত শ্বহীদ দিৱস উদযাপন

**ই-সংবাদ, লাহৰীঘাট, ২৩ মাৰ্চঃ** ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মহান বীৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জনাবলৈ জাগীৰোড চহৰৰ জোনবিল এম ই স্কুলৰ প্ৰেক্ষাগৃহত আজি ৰাষ্ট্ৰীয় শ্বহীদ দিৱস উদযাপন কৰা হয়। পুৱা চাফাই অভিযান আৰু বৃক্ষৰোপণৰ পিছতে মুকলি সভাখন অনুষ্ঠিত কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰতাপ সিংহ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় অসম সাহিত্য সভাৰ মৰিগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি লক্ষেশ্বৰ ডেকাই। বন্তি প্ৰজ্বলন কৰে সুচেন ডেকাই, শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক মমৎ চন্দ্ৰ ডেকাই। সভাত ভাষণ আগবঢ়াই বিদ্যালয়খনৰ প্ৰধান শিক্ষক পদ্মকান্ত ডেকা, সমাজ সেৱক প্ৰফুল্ল বিশ্বাস, আমছু নেতা জেহেৰুল ইছলাম আৰু সমাজ সেৱক অৱন্তি ডেকায়ে। অতিথিসকলক ফুলাম গামোচাৰে আদৰণি জনায় সংঘৰ সদস্যা ভনিতা ডেকাই। ব্ৰিটিছ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ গঢ়ি তুলি ১৯৩১ চনৰ ২৩ মাৰ্চত লাহোৰৰ কেন্দ্ৰীয় জেইলত প্ৰাণ আহুতি দিয়া মহান বীৰ শ্বহীদ হিচাপে ইতিহাস ৰচি যোৱা শ্বহীদ ভগৎ সিং, শুকদেৱ থাপা আৰু শিৱৰাজ হৰি ৰাজগুৰুলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ প্ৰেমৰ ব্যাখ্যা কৰে সদৌ অসম কৃষক সংঘৰ কাৰ্যকৰী সভাপতি তুলসী ডেকাই। শতাধিক যুৱক-যুৱতীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত দেশপ্ৰেমীক বীৰ শ্বহীদসকলক সকলোৱে স্মৰণ কৰে।

# দিমীলাৰ মথাউৰি নিৰ্মাণত দুৰ্নীতি, ক্ষুব্ধ ৰাইজ



**ই-সংবাদ, দুনী, ২৩ মাৰ্চঃ** পশ্চিম দৰঙৰ দিমীলা নৈৰ মথাউৰি নিৰ্মাণত সংঘটিত হৈছে বৃহৎ দুৰ্নীতি। নিৰ্মাণত সংঘটিত অনিয়মৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে ৰাইজ। ঠিকাদাৰ আৰু জলসম্পদ বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। প্ৰাকলন মতে মঠাউৰি নিৰ্মাণ নকৰি পালমৰা কামেৰে মথাউৰি নিৰ্মাণ কৰি আৱণ্টিত ধনৰ আত্মসাতৰ ফন্দি পতাৰ অভিযোগ ঠিকাদাৰ-অভিযন্তাৰ বিৰুদ্ধে। বালিয়া মাটি আৰু নৈৰ গড়াত মথাউৰি নিৰ্মাণ কৰাৰ পিছতো নিৰ্লিপ্ত হৈ আছে সংশ্লিষ্ট কৰ্তৃপক্ষ। নৈখনৰ গভৰা দলংঘাটৰপৰা পাণ্ডাঘাটলৈ পূব পাৰৰ মথাউৰি নিৰ্মাণত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। আনকি যধেমধে নৈৰ ভিতৰ ভাগৰপৰা মাটি কাটি মথাউৰি নিৰ্মাণ কৰা পৰিলক্ষিত হৈছে। ফলত নৈৰ ভিতৰভাগত সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড দ' গাঁত। তদুপৰি ঠায়ে ঠায়ে জিঅ' বেগ নবহোৱাকৈ মথাউৰি নিৰ্মাণ কৰাত অভিযোগ স্থানীয় ৰাইজৰ। তাৎপৰ্যপূৰ্ণ বিষয় মথাউৰি নিৰ্মাণৰ তদাৰকৰ দায়িত্বত থকা জলসম্পদৰ বিভাগৰ একাংশ ক্ষেত্ৰ কৰ্মচাৰীৰ ভূমিকা ৰহস্যজনক হৈ পৰিছে। ঠিকাদাৰ সৈতে মিলি ৰাজহুৱা স্বাৰ্থক অগ্ৰাহ্য কৰাৰ অভিযোগ জলসম্পদৰ বিভাগৰ বিৰুদ্ধে। বিভাগীয় নিয়ম উলংঘা কৰি মথাউৰিটো নিৰ্মাণ কৰি থকা অভিযোগ কৰ্মচাৰীৰ বিৰুদ্ধে। তাৎপৰ্যপূৰ্ণ বিষয় যে সংবাদ মাধ্যমত মথাউৰি নিৰ্মাণত সংঘটিত অনিয়ম, ৰাইজৰ ক্ষোভ-অসন্তুষ্টিৰ বাতৰি সবিস্তাৰে প্ৰকাশ পোৱাৰ পিছতো গা লৰা নাই জলসম্পদ বিভাগীয় শীৰ্ষ বিষয়া-কৰ্মচাৰীৰ। ১৭.৭০ কোটি টকাৰে দিমীলা নৈৰ মথাউৰি কেনেদৰে নিৰ্মাণ কৰিছে তাক চাবলৈ আহৰি নাই জলসম্পদ বিভাগৰ। ঠায়ে ঠায়ে মথাউৰি চাপৰ আৰু ঠেক কৈ নিৰ্মাণ কৰাৰ পিছতো নিৰ্লিপ্ত হৈ আছে দায়িত্বৱাহী বিষয়া। আনকি গছ-গছনি, হাবি-জংঘল পৰিষ্কাৰ নকৰাকৈয়ো নিৰ্মাণ কৰিছে মথাউৰি। মূলতঃ দিমীল নৈৰ মথাউৰি নিৰ্মাণৰ নামত ব্যাপক অনিয়ম-দুৰ্নীতি সংঘটিত হৈছে। ইতিমধ্যে বাৰিষাৰ পূৰ্বে মথাউৰিৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ উঠি-পৰি লাগিছে যদিও কামৰ নমুনা দেখি চকু কপালত উঠিছে স্থানীয় ৰাইজৰ। ইফালে গভৰা দলংঘাটৰপৰা বৰপথাৰ চান্দৈপোৱা হৰি মন্দিৰলৈ পশ্চিমপাৰৰ মথাউৰি নিৰ্মাণক লৈ অনিশ্চিয়তা সৃষ্টি হৈছে।

# কলগাছিয়াৰ বাংকাভাঙাত বি বি টি ব্লছম একাডেমীৰ দ্বাৰ উন্মোচন

**ই-সংবাদ, কলগাছিয়া, ২৩ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বাংকাভাংগাত দেওবাৰে বি বি টি ব্লছম একাডেমী নামৰ এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ উদ্বোধন কৰা হয়। ধৰ্মীয় সংখ্যালঘু অধ্যুষিত পিছপৰা গাঁও বাংকাভাঙাত একাংশ শিক্ষিত যুৱকে ২০১৪ চনতে স্থাপন কৰা অসমীয়া মাধ্যমৰ বিদ্যালয়খনত চলিত বৰ্ষৰপৰা ইংৰাজী মাধ্যম শুভাৰম্ভ কৰাত অঞ্চলটোৰ ৰাইজ উৎফুল্লিত হৈ পৰিছে। ইংৰাজী মাধ্যমৰ বিদ্যালয়খন কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যাপক আব্দুল হালিম আহমেদে ফিটাকাটি দ্বাৰ উদঘাটন কৰে। এই অনুষ্ঠানৰ পিছতে এখন উদ্বোধনী সভা অনুষ্ঠিত কৰা হয়। সমাজ সেৱক আয়ুব আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত উদ্বোধনী ভাষণ আগবঢ়ায় ৰাজীৱ গান্ধী মেম'ৰিয়েল মহাবিদ্যালয়ৰ অধ্যাপক ছাইদুল ইছলামে। অনুষ্ঠানটোৰ পৰিচালন সঞ্চালক জিয়াউৰ ৰহমানে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে টি এন ডি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ৰুমেজ আলী, বেকি ভেলী জুনিয়ৰ কলেজৰ বিষয় শিক্ষক গুলজাৰ হুছেইন আদি বিশিষ্ট ব্যক্তিসকল। উল্লেখযোগ্য যে অনুষ্ঠানটোত চলিত মাহৰপৰা নাৰ্ছাৰিৰপৰা তৃতীয় শ্ৰেণীলৈ নামভৰ্তিকৰণ চলি আছে। হোষ্টেল আৰু যাতায়াতৰ সুবিধাৰ লগতে শ্বিলং, কেৰেলা, তামিলনাডু, ওদালগুৰি আদি ঠাইৰ অভিজ্ঞতাপূৰ্ণ শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা গুণগত পাঠদান আগবঢ়োৱা হ'ব বুলি ৰাইজৰ আগত প্ৰতিশ্ৰুতি প্ৰদান কৰে উদ্যোক্তাসকলে। তদুপৰি বিদ্যালয়খন ইংৰাজী মাধ্যমৰ যদিও ধৰ্মীয় শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্তভাৱে আৰবী শিক্ষাও প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিছে বিদ্যালয়খনৰ পৰিচালন সঞ্চালক জিয়াউৰ ৰহমানে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলক কিতাপ, বেগ, ঐক্যসাজ, জোতা আদি বিদ্যালয়ৰপৰা যোগান ধৰা হ'ব বুলি জানিবলৈ দিয়ে উদ্যোক্তাসকলে। সভাৰ শেষত অধ্যক্ষ ৰাহেদ আলীয়ে শলাগৰ শৰাই আগবঢ়ায়। সম্প্ৰতি অঞ্চলটোৰ ওচৰে-পাজৰে কোনো ইংৰাজী মাধ্যমৰ বিদ্যালয় নথকাত নতুনকৈ ইংৰাজী মাধ্যমৰ বি বি টি ব্লছম একাডেমীখন স্থাপন কৰাত উদ্যোক্তাসকলক ভূয়সী প্ৰশংসা কৰিছে স্থানীয় ৰাইজে।

# ৰঙিয়াত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ৰঙিয়া, ২৩ মাৰ্চঃ** ৰঙিয়াৰ ঐতিহ্যমণ্ডিত তৰণীস্থিত ৰজা আৰিমত্ত ক্ষেত্ৰত ২১ মাৰ্চৰপৰা অনুষ্ঠিত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ বৈদ্যগড় আজি উন্মোচন কৰা হয়। অধিৱেশনৰ সামৰণিৰ দিনটোত আয়োজিত মুকলি সভাত অংশগ্ৰহণ কৰি স্মৃতিগ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই। উন্মোচনী ভাষণ প্ৰসংগত ডঃ বৰাই কয় যে ঐতিহাসিক কালৰেপৰা অসমত কলিতা জনগোষ্ঠীয়ে বিশেষভাৱে স্বীকৃতি লাভ কৰি আহিছে। প্ৰাচীন কালৰেপৰা অসমৰ অন্যতম বৃহৎ জনগোষ্ঠীৰূপে কলিতাসকলে নিজস্ব কৃষ্টি-সংস্কৃতিৰে চিনাকি দি আহিছে। বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত কলিতাসকলৰ নিজস্ব ইতিহাস প্ৰণয়নৰ প্ৰয়োজনীয়তা আছে। যাৰ আধাৰত অন্য জনগোষ্ঠীৰ সৈতে কলিতা জনগোষ্ঠীৰ লোকসকলেও স্বকীয় পৰিচয় দিবলৈ সক্ষম হ'ব বুলি মত পোষণ কৰে ডাঃ বৰাই। আনহাতে, অধিৱেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ বৈদ্যগড় জনগোষ্ঠীটোৰ অন্যতম ঐতিহাসিক দলিল হৈ ৰ'ব বুলিও আশা ব্যক্ত কৰে উন্মোচক ডাঃ ধ্ৰুৱজ্যোতি বৰাই। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতীৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচনৰ পূৰ্বে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অংশগ্ৰহণ কৰি ভাষণ ৰাখে। ভাষণ প্ৰসংগত মন্ত্ৰী বৰুৱাই কয় যে প্ৰাচীন কামৰূপ বা প্ৰাগজ্যোতিষপুৰত কলিতা ভূমিপুত্ৰসকলৰ যিধৰণৰ অৰিহণা যিধৰণৰ অৱদান আছে সি অনস্বীকাৰ্য। বহু ইতিহাস সময়ৰ হেঁচাত মুকলি হৈ নাথাকে বুলি উল্লেখ কৰি মন্ত্ৰী বৰুৱাই কয় যে ভাৰত বুৰঞ্জীৰ সমান্তৰালভাৱে অসম বুৰঞ্জীৰ বিষয়েও বহুকথা জনাৰ প্ৰয়োজন আছে। বিজ্ঞানসন্মত বিশ্লেষণৰ জৰিয়তে ঐতিহাসিক তথ্যসমূহ ওলাই অহাৰ আশাপ্ৰকাশ কৰি তেওঁ কয় যে ঐতিহাসিক প্ৰেক্ষাপটত কলিতা জনগোষ্ঠীয় ৰজা কুমাৰ ভাস্কৰ বৰ্মা, মহাৰাজ পৃথুৰ গুৰুত্ব আছে। অসমীয়া কেলেণ্ডাৰত ভাস্কৰাব্দ চনৰ প্ৰচলন সন্দৰ্ভতো মত ব্যক্ত কৰে মন্ত্ৰী বৰুৱাই। শেহতীয়াকৈ কুমাৰ ভাস্কৰ বৰ্মাক প্ৰতিষ্ঠিত কৰাৰ লক্ষ্যৰে নলবাৰী চহৰত প্ৰাচীন কামৰূপীয় ৰজাগৰাকীৰ স্মৃতি সমৃদ্ধ কুমাৰ ভাস্কৰ বৰ্মা কলাক্ষেত্ৰ নিৰ্মাণৰ আৰম্ভ কৰা বুলিও জানিবলৈ দিয়ে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ মুখ্য উপদেষ্টা ডাঃ প্ৰবীন্দ্ৰ নাথ তালুকদাৰে বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা মুকলি সভাত আদৰণি ভাষণ ৰাখে আয়োজক সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক ভবেশ কলিতাই। সংগীত শিল্পী অৰুণ কলিতাৰ পৰিচালনাত স্থানীয় শিল্পীসকলে সমৱেত কণ্ঠত পৰিৱেশন কৰা উদ্বোধনী গীতেৰে শুভাৰম্ভ হোৱা মুকলি সভাত সাংসদ ভুৱনেশ্বৰ কলিতা, উত্তৰ-পূৱ কৰ্কট প্ৰতিষ্ঠানৰ পৰিচালন সঞ্চালক গণেশ তামুলী, কলিতা উন্নয়ন পৰিষদৰ অধ্যক্ষ ডাঃ ৰাজেন চন্দ্ৰ কলিতা, আছুৰ কাৰ্যালয় সম্পাদক ভবজ্যোতি ডেকা প্ৰমুখ্যে আন কেবাগৰাকী আমন্ত্ৰিত অতিথি উপস্থিত থাকে।

# দিমীলাৰ মথাউৰি নিৰ্মাণত দুৰ্নীতি, ক্ষুব্ধ ৰাইজ



**ই-সংবাদ, দুনী, ২৩ মাৰ্চঃ** পশ্চিম দৰঙৰ দিমীলা নৈৰ মথাউৰি নিৰ্মাণত সংঘটিত হৈছে বৃহৎ দুৰ্নীতি। নিৰ্মাণত সংঘটিত অনিয়মৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে ৰাইজ। ঠিকাদাৰ আৰু জলসম্পদ বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। প্ৰাকলন মতে মঠাউৰি নিৰ্মাণ নকৰি পালমৰা কামেৰে মথাউৰি নিৰ্মাণ কৰি আৱণ্টিত ধনৰ আত্মসাতৰ ফন্দি পতাৰ অভিযোগ ঠিকাদাৰ-অভিযন্তাৰ বিৰুদ্ধে। বালিয়া মাটি আৰু নৈৰ গড়াত মথাউৰি নিৰ্মাণ কৰাৰ পিছতো নিৰ্লিপ্ত হৈ আছে সংশ্লিষ্ট কৰ্তৃপক্ষ। নৈখনৰ গভৰা দলংঘাটৰপৰা পাণ্ডাঘাটলৈ পুব পাৰৰ মথাউৰি নিৰ্মাণত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। আনকি যধেমধে নৈৰ ভিতৰ ভাগৰপৰা মাটি কাটি মথাউৰি নিৰ্মাণ কৰা পৰিলক্ষিত হৈছে। ফলত নৈৰ ভিতৰভাগত সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড দ' গাঁত। তদুপৰি ঠায়ে ঠায়ে জিঅ' বেগ নবহোৱাকৈ মথাউৰি নিৰ্মাণ কৰাত অভিযোগ স্থানীয় ৰাইজৰ। তাৎপৰ্যপূৰ্ণ বিষয় মথাউৰি নিৰ্মাণৰ তদাৰকৰ দায়িত্বত থকা জলসম্পদৰ বিভাগৰ একাংশ ক্ষেত্ৰ কৰ্মচাৰীৰ ভূমিকা ৰহস্যজনক হৈ পৰিছে। ঠিকাদাৰ সৈতে মিলি ৰাজহুৱা স্বাৰ্থক অগ্ৰাহ্য কৰাৰ অভিযোগ জলসম্পদৰ বিভাগৰ বিৰুদ্ধে। বিভাগীয় নিয়ম উলংঘা কৰি মথাউৰিটো নিৰ্মাণ কৰি থকা অভিযোগ কৰ্মচাৰীৰ বিৰুদ্ধে। তাৎপৰ্যপূৰ্ণ বিষয় যে সংবাদ মাধ্যমত মথাউৰি নিৰ্মাণত সংঘটিত অনিয়ম, ৰাইজৰ ক্ষোভ-অসন্তুষ্টিৰ বাতৰি সবিস্তাৰে প্ৰকাশ পোৱাৰ পিছতো গা লৰা নাই জলসম্পদ বিভাগীয় শীৰ্ষ বিষয়া-কৰ্মচাৰীৰ। ১৭.৭০ কোটি টকাৰে দিমীলা নৈৰ মথাউৰি কেনেদৰে নিৰ্মাণ কৰিছে তাক চাবলৈ আহৰি নাই জলসম্পদ বিভাগৰ। ঠায়ে ঠায়ে মথাউৰি চাপৰ আৰু ঠেক কৈ নিৰ্মাণ কৰাৰ পিছতো নিৰ্লিপ্ত হৈ আছে দায়িত্বৱাহী বিষয়া। আনকি গছ-গছনি, হাবি-জংঘল পৰিষ্কাৰ নকৰাকৈয়ো নিৰ্মাণ কৰিছে মথাউৰি। মূলতঃ দিমীল নৈৰ মথাউৰি নিৰ্মাণৰ নামত ব্যাপক অনিয়ম-দুৰ্নীতি সংঘটিত হৈছে। ইতিমধ্যে বাৰিষাৰ পূৰ্বে মথাউৰিৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ উঠি-পৰি লাগিছে যদিও কামৰ নমুনা দেখি চকু কপালত উঠিছে স্থানীয় ৰাইজৰ। ইফালে গভৰা দলংঘাটৰপৰা বৰপথাৰ চান্দৈপোৰা হৰি মন্দিৰলৈ পশ্চিমপাৰৰ মথাউৰি নিৰ্মাণক লৈ অনিশ্চিয়তা সৃষ্টি হৈছে।

# সপ্তৰ্ষি জাতীয় বিদ্যালয়ৰ ১১সংখ্যক বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠান

**ই-সংবাদ, মিৰ্জা, ২৩ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ পশ্চিম প্ৰান্তৰ পুব মাজিৰগাঁৱত স্থাপিত অসম জাতীয় বিদ্যালয় নুনমাটিৰ আধাৰত প্ৰতিষ্ঠিত সপ্তৰ্ষি জাতীয় বিদ্যালয়ৰ ১১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি পালন কৰা হয়। উক্ত প্ৰতিষ্ঠা দিৱস অনুষ্ঠানটি দৌল গোবিন্দ মন্দিৰ প্ৰাংগণ গড়ল বৰুৱাপাৰাত আয়োজিত হয়। অনুষ্ঠানটি আৰম্ভণিতে পতাকা উত্তোলন, বৃক্ষৰোপণ, প্ৰাচীৰ পত্ৰিকা অলংকাৰ উন্মোচন, মঞ্চ মুকলি আৰু বন্তি প্ৰজ্বলন আদিৰে আৰম্ভ কৰা হয়। সাংস্কৃতিক মঞ্চত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা গীত, নৃত্য, কবিতা আবৃত্তি, দলীয় নৃত্য, একক নৃত্য আদি পৰিৱেশন কৰা হয়। লগতে সাংস্কৃতিক অনুষ্ঠানৰ মাজতে বিশিষ্ট ব্যক্তিসকলক এক সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হয়। ইয়াৰ লগতে শিল্পী জিতুল পৰশে গীত পৰিৱেশন কৰে।

# ডঃ খগেন ডেকাৰ প্ৰথম মৃত্যু বাৰ্ষিকীত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, চামতা, ২৩ মাৰ্চঃ** বিশিষ্ট সাহিত্যিক, নাট্যকাৰ, নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ খগেন ডেকাৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে আজি পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ উদ্যোগত হেমজন্টি পুথিভঁৰাল, গামাৰিমূৰীৰ সহযোগত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হয়। পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি ৰমনী বৰ্মনৰ পৌৰোহিত্যত প্ৰেছ ক্লাবৰ মোহন ভাইৰা সোঁৱৰণী সভাগৃহত অনুষ্ঠিত অনুষ্ঠানত মুখ্য বন্তি প্ৰজ্বলক হিচাপে বন্তি প্ৰজ্বলন কৰে প্ৰয়াত ডঃ খগেন ডেকাৰ সহধৰ্মিনী সাবিত্ৰী ডেকাই। আন কেইবাগছি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বলেন কুমাৰ গোস্বামী, ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ সভাপতি বিশিষ্ট নাট্যকাৰ, কবি দীপক কুমাৰ শৰ্মা, বিশিষ্ট সাহিত্যিক তথা নলবাৰী জিলা কবি সন্মিলনৰ সভাপতি ভুৱনেশ্বৰ ডেকা, নলবাৰী সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বেজবৰুৱা, লোকশিল্পী ঘন বৈশ্য, কবি অমৰেন্দ্ৰ চক্ৰৱৰ্তী, কবি দ্বীপেন মেনা, কবি দিলীপ তালুকদাৰ, কবি নিৰোদ শৰ্মা, ক্ষেত্ৰী ধৰ্মপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা ৰাজীৱ দত্ত, পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক অনিমেষ বৰ্মন, উপদেষ্টা ৰাজেন বৈশ্য, দ্বীপেন মেনা, বুবুল কুমাৰ শৰ্মা, প্ৰদীপ কুমাৰ বৰ্মন, সাংস্কৃতিক কৰ্মী গৌতম বৰ্মন, কবি বুবুল কুমাৰ শৰ্মা, চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ মনোজ চক্ৰৱৰ্ত্তী, সাংস্কৃতিক কৰ্মী গৌতম বৰ্মন, হিৰণ্যৰাজ বৰ্মন আদি বিশিষ্ট ব্যক্তিসকলে। ৰাজেন বৈশ্যই আঁতধৰা স্মৃতিচাৰণ সভাত আৰম্ভণিতে লোকশিল্পী ঘন বৈশ্যই এটি ঘোষা পৰিৱেশন কৰি সভাখনক এক অনন্য মাত্ৰা প্ৰদান কৰে। সভাত সাহিত্যিক ডঃ খগেন ডেকাৰ স্মৃতিচাৰণ কৰে বলেন কুমাৰ গোস্বামী, দীপক কুমাৰ শৰ্মা, অমৰেন্দ্ৰ চক্ৰৱৰ্তী, ভুৱনেশ্বৰ ডেকা, মনোজ চক্ৰৱৰ্ত্তী, দিলীপ তালুকদাৰ আৰু নিৰোদ শৰ্মায়ে। মনোজ চক্ৰৱৰ্তীয়ে নিজৰ স্মৃতিচাৰণ ভাষণ প্ৰসংগত কয় যে ডঃ খগেন ডেকা এগৰাকী ভাল শিক্ষাগুৰু, সাহিত্যিক, নাট্যকাৰ, গীতিকাৰ , কাব্যালোচনীৰ সম্পাদক আৰু গুণী লোকৰ মোল বুজা সাহিত্যিক আছিল। একাংশই প্ৰয়াত ডেকাক শিক্ষাগুৰু, পৰৱৰ্তী সময়ত মোৰ সহকৰ্মী হিচাপে পোৱা বুলি কৈ তেওঁৰ গুণ বখানে। খগেন ডেকাই জন্মগাওঁ গামাৰিমুৰীত হেমজন্টি পুথিভঁৰাল স্থাপন কৰি গাঁৱৰপৰা গ্ৰন্থৰ জৰিয়তে নিজৰ লগতে নবীন-প্ৰবীণ সাহিত্যিকক গ্ৰন্থৰ মাজলৈ কঢ়িয়াই নিয়াত প্ৰেৰণাদায়ক উৎস হিচাপে নলবাৰীত নিজক আত্মনিয়োগ কৰিছিল। সভাত ডঃ খগেন ডেকাৰ সম্পাদনাত প্ৰকাশিত কাব্যতীৰ্থ প্ৰকাশ কৰা আলোচনীখন পুনৰ প্ৰকাশ কৰাৰ বাবে আজিৰ সভাই সিদ্ধান্ত লয় আৰু পশ্চিম নলবাৰী প্ৰেছ ক্লাবে ইয়াৰ মুখ্য দায়িত্ব গ্ৰহণ কৰিব বুলি ৰাজেন বৈশ্যই মন্তব্য কৰে।

# ডিপ্তাত গোহালিৰ পৰা গৰু চুৰি

**ই-সংবাদ, বৰমা, ২৩ মাৰ্চঃ** পবিত্ৰ ৰমজান মাহ চলি থকাৰ সময়তে যোৱানিশা নলবাৰী জিলাৰ দিপ্তাত তিনিটাকৈ গৰু চুৰি হোৱাত অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্য খবৰ অনুসৰি নলবাৰী জিলাৰ দিপ্তা গাঁৱৰ নুৰুল আলীৰ পৰিয়ালৰ সকলো শুই থকা অৱস্থাত পুৱতিনিশা চোৰে গোহালিৰপৰা তিনিটাকৈ গৰু চুৰি কৰি লৈ যায়। কৃষিকৰ্মৰে কোনোমতে পৰিয়াল পোহপাল দিয়া নুৰুল আলীৰ পৰিয়ালে পুৱতি নিশা চেহেৰীৰ সময়ত গোহালিত থকা গৰু তিনিটা নেদেখি শোকত ম্ৰিয়মান হৈ পৰে। এনেদৰে পবিত্ৰ ৰমজান মাহৰ চেহেৰী সময়ত গোহালিৰপৰা গৰু চুৰি কৰা কাৰ্যত সৰ্বতে প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। আজি পুৱা নুৰুল আলীয়ে নলবাৰী সদৰ আৰক্ষী থানাত ঘটনা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন স্থানত নিশা চোৰে চুৰি কাৰ্য সংঘটিত কৰি আহিছে । কিন্তু আজিলৈকে এজনো চোৰ ধৰা নপৰিল। স্থানীয় ৰাইজে এই ক্ষেত্ৰত আৰক্ষী-প্ৰশাসনৰ সহায় বিচাৰিছে।

# পণ্ডিতঘাটৰ বাসিন্দা মুক্তি প্ৰসাদ লস্কৰৰ মৃত্যু

**ই-সংবাদ, হাওৰাঘাট, ২৩ মাৰ্চঃ** পাহাৰীয়া জিলা কাৰ্বি আংলংৰ হাওৰাঘাট থানাৰ অন্তৰ্গত পণ্ডিতঘাট গাঁৱৰ মুক্তি প্ৰসাদ লস্কৰৰ মৃত্যুৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। যোৱা শুকুৰবাৰে দিনৰ ভাগৰেপৰা ঘৰৰপৰা সন্ধানহীন হৈ থকা মুক্তি প্ৰসাদ লস্কৰক লৈ পৰিয়ালৰ মাজত লাগে হুৱাদুৱা। স্থানীয় ৰাইজে গ'ম পোৱাৰ লগেলগে গাঁৱৰ ইমূৰৰপৰা সিমূৰলৈ, যমুনা নদীৰ ইপাৰৰপৰা সিপাৰলৈ বিচাৰে যদিও শেষত স্থানীয় ৰাইজে শনিবাৰে দিনৰ ভাগত পণ্ডিতঘাটৰ বলো বস্তিৰ কাৰ্বি আংলং আৰু হোজাই জিলাৰ সীমান্তৰ যমুনা নদীত ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰে এক অচিনাক্ত মৃতদেহ। এই কথা গম পোৱাৰ লগে লগে হাওৰাঘাট আৰক্ষী চকীক স্থানীয় ৰাইজে অৱগত কৰাত হাওৰাঘাট থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ যমুনা নদীৰপৰা উদ্ধাৰ কৰে মৃতদেহটো। বিশেষ সূত্ৰই জনোৱা মতে উক্ত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ইতিমধ্যে ডিফুলৈ প্ৰেৰণ কৰা হয়। মুক্তি প্ৰসাদ লস্কৰৰ এই মৃত্যু আত্মহত্যা নে দুৰ্ঘটনা নে আন কিবা এয়া পৰৱৰ্তী সময়ত গম পোৱা যাব। মৃত্যুৰ সময়ত তেওঁৰ আনুমানিক বয়স আছিল ৬৭ বছৰ। তেওঁৰ প্ৰকৃত গৃহ নগাঁও জিলাৰ কামপুৰত। কৰ্মসূত্ৰে দীৰ্ঘদিনে বসবাস কৰি আছিল পণ্ডিতঘাট অঞ্চলত। এজন সহজ-সৰল, সু-শিক্ষিত, মানৱদৰদী, মুক্তি প্ৰসাদ লস্কৰৰ এনে মৃত্যুৱে অঞ্চলটোত এক আলোৰণৰ সৃষ্টি কৰে। সামাজিকভাৱে জড়িত ব্যক্তিসকলে তেওঁৰ এনে মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰে।

## কংগ্ৰেছ বিজেপিৰ নেতা মিলি গোলকগঞ্জৰ অৰুণোদয় আচঁনিত দুৰ্নীতি

**ই-সংবাদ, গোলকগঞ্জ, ২৩ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ সৰহভাগ পঞ্চায়তে কংগ্ৰেছ-বিজেপি দুয়োটা দলৰ নেতা-পালিনেতাই অৰুণোদয় আঁচনিৰ তালিকা প্ৰস্তুত কৰাত ব্যাপক দুৰ্নীতি-অনিয়ম চলোৱাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ মতে, বিষখোৱা গাঁও পঞ্চায়তত একাংশ পালিনেতাই বিধৱা, বিশেষভাৱে সক্ষম আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ মহিলাক বঞ্চিত কৰি আৰ্থিকভাৱে স্বচ্ছল মহিলাক অৰুণোদয় ৩.০ৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। আজি বিষখোৱা দ্বিতীয় খণ্ড গাঁৱৰ ব্ৰহ্মত্তৰ হৰি মন্দিৰ প্ৰাংগণত বঞ্চিত যোগ্য হিতাধিকাৰীসকল একগোট হৈ একাংশ বিজেপি নেতাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। উপস্থিত ৰাইজে অভিযোগ কৰা মতে বিজেপি নেতা বিজয় মাষ্টৰ, ভোলা আৰু পুষ্পই যোগ্য মহিলাসকলক বঞ্চিত কৰি গোপন বুজাবুজি কৰি পকীঘৰ, ট্ৰেক্টৰ, বিলাসীবাহন থকা আৰু চাকৰিজীৱী লোকৰ পৰিয়ালক অৰুণোদয়ৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। আনহাতে, একে অভিযোগ উত্থাপিত হৈছে বৰুণডাঙা গাঁও পঞ্চায়তত। অভিযোগ মতে, পঞ্চায়তখনৰ একাংশ কংগ্ৰেছী নেতাই দুখীয়া হিতাধিকাৰীক বঞ্চিত কৰি একমাত্ৰ ধনৰ বাবেই ধনী লোকৰ নাম অৰুণোদয়ৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। স্বামী এৰি দিয়া, বিধৱা একাংশ মহিলাই পূৰ্বৰ পৰাই অৰুণোদয়ৰ ধন লাভ কৰি আহিছিল যদিও ধন দিব নোৱাৰাৰ বাবেই নামবোৰ এইবাৰ কৰ্তন কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পঞ্চায়ত চৌহদত মহিলাৰ প্ৰতিবাদৰ মাজতে বৰুণডাঙাৰ আয়নাল হকৰ প্ৰকাশ্য ক্ষেদোক্তিয়ে উপস্থিত ৰাইজৰ মাজত আনন্দৰ খোৰাক যোগোইছে। আয়নালে প্ৰতিবাদী মহিলাসকলক উদ্দেশ্যি কয়- আপোনাৰ ঘৰত যদি বিলাসীবাহন নাই, চাকৰি নাই আপুনি নাপায় অৰুণোদয়ৰ ধন। বিজেপি চৰকাৰৰ আঁচনি ভাল কিন্তু বৰুণডাঙাত গণ্ডগোল লগালে কংগ্ৰেছে। কাৰণ সমষ্টিৰ বিধায়কো কংগ্ৰেছৰ বৰুণডাঙা পঞ্চায়তো কংগ্ৰেছৰ।

## লাহৰীঘাটৰ তিনিচুকীয়াত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, লাহৰীঘাট, ২৩ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত তিনিচুকীয়া দৈনিক বজাৰৰ কাষতেই আজি দুপৰীয়া সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ডটো। এই অগ্নিকাণ্ডত ১০ টাকৈ পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডত ক্ষয়ক্ষতি হোৱা আটাইকেইটা পৰিয়াল পূৰ্বে খহনীয়াত গৃহহীন হৈছিল। এই অগ্নিকাণ্ডত ইজ্জত আলী নামৰ এজন লোকৰ নগদ প্ৰায় দুই লাখ টকা ভস্মীভূত হয়। মাটি ক্ৰয় কৰাৰ বাবে বহুদিন ধৰি জমা কৰি থৈছিল এই ধনখিনি। এই অগ্নিকাণ্ডত কেবা লক্ষাধিক টকাৰ ক্ষয়ক্ষতি হয় বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডটোৰ পৰা কথমপি ৰক্ষা পৰে লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ লগতে তিনিচুকীয়া জামে মছজিদ। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি জুই নিৰ্বাপন কৰে।

# সৃজনগ্ৰামৰ জ্যেষ্ঠ অভিনেতা, সমাজকৰ্মী অনিল ৰায়ৰ দেহাৱসান

**ই-সংবাদ, অভয়াপুৰী, ২৩ মাৰ্চঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ সমাজকৰ্মী, জ্যেষ্ঠ অভিনেতা অনিল ৰায় (৭৯)ৰ যোৱানিশা মৃত্যুৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে । প্ৰাপ্ত বাতৰি মতে, এসময়ৰ বলিষ্ঠ অভিনেতা, সমাজকৰ্মী তথা হাস্যৰসিক ব্যক্তি হিচাপে পৰিচিত অনিল ৰায় দুদিনমান পূৰ্বে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হয়। ৰায়ক সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়লৈ নিয়াৰ পাছত উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱৰ এখন ব্যক্তিগত হাস্পতালত ভৰ্তি কৰায়। কালি দিনত হাস্পতালৰপৰা ঘৰলৈ অনাৰ পাছত নিশা ৰায়ে শেষ নিশ্বাস ত্যাগ কৰে। পিতৃ প্ৰয়াত কামেশ্বৰ ৰায় আৰু মাতৃ প্ৰয়াত সূৰ্যে ৰায়ৰ সন্তান অনিল ৰায় এগৰাকী নাট্যশিল্পীৰ লগতে অঞ্চলটোৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে নিবিড়ভাৱে জড়িত আছিল। ৰায়ে ১৫ বছৰ বয়সতে জলদস্যু নামৰ নাটক এখনত বলিষ্ঠ অভিনয় কৰি দক্ষতাৰ পৰিচয় দিয়াৰ লগতে সৃজনগ্ৰাম অঞ্চলৰ পাখিৰীগুৰী, মজাইৰমুখ, ভাছাখুটা আদি ঠাইৰপৰা আত্মপ্ৰকাশ কৰা নাট্যদলত জড়িত থাকি ঐতিহাসিক চৰিত্ৰত বলিষ্ঠ অভিনয়ৰে চৰিত্ৰক বাস্তৱ ৰূপ দিয়াত সফল হৈছিল। সোনাখুলী প্ৰথম খণ্ড (মাজপাৰা)ত জন্মগ্ৰহণ কৰা ৰায়ে ঘৰুৱা ব্যস্ততাৰ মাজতো শিল্পীৰ পৃথিৱীত সেন্দুৰীয়া পথ নিৰ্মাণত এগৰাকী অক্লান্ত সৈনিক হিচাপে আগবঢ়োৱা অৱদান অঞ্চলটোৰ বাবে স্মৰণীয় হৈ থাকিব। সংস্কৃতিৰ পথাৰত আগবঢ়োৱা অনিল ৰায়ৰ অৱদানক স্বীকৃতি দি শিল্পীদিৱস উদ্‌যাপন সমিতি, সৃজনগ্ৰামে চলিত



বৰ্ষৰ ১৭ জানুৱাৰীৰ শিল্পী দিৱসত আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনাইছিল। পত্নী, পুত্ৰ, বোৱাৰী, নাতি-নাতিনীসহ আত্মীয়-স্বজনক এৰি থৈ যোৱা ৰায়ৰ মৃত্যুত শিল্পী দিৱস উদ্‌যাপন সমিতি, সৃজনগ্ৰাম, চক্ৰভৌম পঞ্চায়তৰ প্ৰাক্তন সভাপতি ৰজনী ৰায় আদিয়ে শোক প্ৰকাশ কৰিছে।

# বেতবাৰীত প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ২৩ মাৰ্চঃ** বৰ্তমান প্ৰতিযোগিতাৰ যুগ। ভাল কৰ্ম সংস্থাপন লাভ কৰিবলৈ হ'লে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বই লাগিব। ভাল শিক্ষানুষ্ঠানত উচ্চশিক্ষা গ্ৰহণ কৰিবলৈয়ো আজিকালি প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে। ইয়াৰ বাবে প্ৰাথমিক পৰ্যায়ৰপৰাই ছাত্ৰ-ছাত্ৰীসকলক গঢ়ি তোলাটো, প্ৰস্তুত কৰি তোলাটো প্ৰয়োজন হৈ পৰিছে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে যি পদক্ষেপ লৈছে, সেয়া সঁচাকৈয়ে আদৰণীয়। আজি শিৱসাগৰ বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা কেন্দ্ৰ উদ্বোধন কৰি এই মন্তব্য কৰে বিশিষ্ট সমাজকৰ্মী ঘন গগৈয়ে। তেওঁ লগতে বৰ্তমান চৰকাৰে ৰাজ্যত নিকা নিযুক্তি ব্যৱস্থা কৰাৰ ফলত মেধাৱী ছাত্ৰ-ছাত্ৰীসকল বিমুখ হ'বলগীয়া নাই হোৱা বুলি উল্লেখ কৰে। ঘন গগৈয়ে কয় যে কংগ্ৰেছ চৰকাৰৰ দিনত টকা দিলেহে চাকৰি পাইছিল। কিন্তু বিজেপি অগপৰ মিত্ৰজোঁটৰ বৰ্তমান চৰকাৰৰ দিনত তেনে কেলেংকাৰী নাই। মেধাৰ বলতহে নিযুক্তি পায়। গতিকে ছাত্ৰ-ছাত্ৰীয়ে এতিয়াৰেপৰা ভালদৰে পঢ়াৰ বাহিৰে বেলেগ উপায় নাই। উল্লেখ্য যে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আজি আন প্ৰান্তৰ লগতে বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰটো প্ৰথমবাৰৰ বাবে চৰকাৰী বিদ্যালয়সমূহৰ চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰা হয়। বিশিষ্ট শিক্ষক, সমাজ কৰ্মী অশোক কটকীয়ে আঁত ধৰা পৰীক্ষা কেন্দ্ৰ উদ্বোধনী অনুষ্ঠানতে বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ প্ৰফুল্ল মহন, কৃতীশিক্ষক লোহিত চেতিয়াসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি তথা অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আজি বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত ২৬০ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হয়। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ কৰিবলৈ এখন মঞ্চ দিয়া, প্ৰতিভাধৰ ছাত্ৰ-ছাত্ৰীক বিচাৰি উলিওৱা, ভৱিষ্যতে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰা আদি কেতবোৰ উদ্দেশ্য এই পৰীক্ষা অনুষ্ঠিত কৰা হৈছে বুলি সদৰি কৰে উদ্যোক্তাসকলে। নিয়াৰিকৈ এই পৰীক্ষা অনুষ্ঠিত কৰাত শলাগ লৈছে পৰীক্ষাৰ্থীসকলৰ অভিভাৱকসকলে।

# কলগাছিয়াৰ চৌধুৰী বজাৰত মুকলিকৈ চলিছে জুৱাখেল

**ই-সংবাদ, কলগাছিয়া, ২৩ মাৰ্চঃ** বৰপেটা সদৰ থানাৰ অন্তৰ্গত কৰাৰকুৰ বেকী দলঙৰ পূব দিশত অৱস্থিত চৌধুৰী বজাৰৰ কাষত মুকলিকৈ চলিছে জুৱাখেল। বৰপেটা জিলা প্ৰশাসনৰ নাকৰ তলতে অবাধে জুৱাখেল চলাই থকাত সচেতন ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অবৈধ জুৱাখেলৰ ফলত স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় যুৱপ্ৰজন্ম ধ্বংসৰ পথলৈ গতি কৰাত জনীয়া সত্ৰ কমিটিৰ লগতে সমগ্ৰ জনীয়া, ছনপুৰা, কাদং, শওপুৰ, কলগাছিয়া আদি অঞ্চলৰ ৰাইজ চিন্তিত হৈ পৰিছে। উল্লেখযোগ্য যে বৰপেটাৰ পৰা অভয়াপুৰী লৈ যোৱা বিকল্প ৰাজ্যিক ঘাইপথৰ গাতে লাগি থকা হিন্দু-মুছলমানৰ সমন্বয়স্থলী চৌধুৰী বজাৰত মুকলিকৈ জুৱাখেল চলি আছে যদিও আৰক্ষী-প্ৰশাসনে কোনোধৰণৰ গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা নাই। সেয়ে অতি শীঘ্ৰে জুৱা খেল বন্ধ কৰিবলৈ বিভিন্ন দল-সংগঠনে দাবী জনাইছে। এনে জনবসতিপূৰ্ণ এলেকাত আৰক্ষী প্ৰশাসনৰ চকুৰ সন্মুখতে জুৱাখেল চলি থকাত সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সভাপতি চানমামুদ আহমেদে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰে কঠোৰ হাতেৰে জুৱাখেল বন্ধ কৰিবলৈ দাবী জনাইছে। আচৰিতভাৱে আৰক্ষীক মেনেজ কৰি জুৱাখেল চলাই থকা বুলি একাংশ জুৱাৰীয়ে বুকু ফিন্দাই ৰাইজৰ আগত কৈ ফুৰাত ৰাইজৰ চকু কপালত উঠিছে। এনে জুৱাখেলৰ বাবে অঞ্চলটোত মদ, ড্ৰাগছ, চুৰি, নাৰী নিৰ্যাতন আদি বিভিন্ন অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাইছে বুলি অভিযোগ উত্থাপন কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা মনিৰুত জামানে। প্ৰশাসন বা উৰ্ধ্বতন কৰ্তৃপক্ষই অতিশীঘ্ৰে জুৱাখেল বন্ধ নকৰিলে জিলাব্যাপী গণ আন্দোলন গঢ়ি তুলিব বুলি নিৰ্মাণ শ্ৰমিক ইউনিয়ন, আমছু, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আদি দল-সংগঠনৰ স্থানীয় নেতাসকলে ভাবুকি প্ৰদান কৰিছে।

# শিমলাগুৰি বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন আটক

**ই-সংবাদ, বৰপেটাৰোড, ২৩ মাৰ্চঃ** বৰপেটাৰোডৰ সমীপৰ বাগছা জিলাত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে শিমলাগুৰি আৰক্ষীয়ে। শিমলাগুৰি আৰক্ষী পহৰা চকীৰ এছ আই ছামিম ছিদ্দিকৰ নেতৃত্বত এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই ৰামজান আলী ওৰফে ৰঞ্জু নামৰ এগৰাকী ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। সৰবৰাহকাৰী জনৰপৰা সন্দেহযুক্ত হেৰইন ভৰ্তি ৭০টা কণ্টেইনাৰ জব্দ কৰে আৰক্ষীয়ে। বৰপেটাৰোডৰ সমীপৰ ধূপগুৰিৰ নিজ গৃহৰ পৰা বাগচাৰ চিমলৰ চি আই আৰু এছ আই ছামিম ছিদ্দিকৰ নেতৃত্বত ড্ৰাগছসহ এজন সৰবৰাহ কৰি আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনে দীৰ্ঘদিন ধৰি নিজ গৃহৰপৰাই চলাই আছিল ড্ৰাগছৰ ব্যৱসায়। সম্প্ৰতি আৰু অধিক তথ্যৰ বাবে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰীজনক জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# বৰপেটাৰোডত চাঞ্চল্য, পঞ্জাবৰ পৰা অহা ট্ৰাকত যুৱকৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, বৰপেটাৰোড, ২৩ মাৰ্চঃ** আজি পুৱা বৰপেটাৰোডত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ কালহভাঙাৰ চাইনবোৰ্ডত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। পঞ্জাবৰপৰা অহা এখন লাইন ট্ৰাকৰ ভিতৰত এজন যুৱকৰ মৃতদেহ উদ্ধাৰক লৈ হয় এই চাঞ্চল্য। নিশা বৰপেটাৰোডৰ কালহভাঙাৰ চাইনবোৰ্ডত থকা এখন ধাবাৰ সন্মুখত ১২ চকীয়া মালবাহী ট্ৰাক এখনৰ ভিতৰত মৃত অৱস্থাত আছিল যুৱকজন। যুৱকজন পঞ্জাবৰ লাভলী শৰ্মা বুলি জানিব পৰা গৈছে।যুৱকজনৰ বয়স আনুমানিক ২৬ বছৰ হ'ব বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, পঞ্জাবৰ পাতিয়াল জিলাৰ যুৱকজন PB11 DF6391 নম্বৰৰ ১২ চকীয়া মালবাহী ট্ৰাকখনৰ হেণ্ডিমেন আছিল। ইতিমধ্যে বৰ নগৰ ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া নিৰ্মলজ্যোতি শৰ্মা আৰু বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামলজ্যোতি শইকীয়া উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। লগতে ট্ৰাকখনৰ চালক গুৰবেন্দৰ সিঙক সোধাপোছা কৰি বৰপেটাৰোড আৰক্ষীয়ে কৰি তদন্ত অব্যাহত ৰাখিছে। উক্ত ঘটনাৰ পাছত কালহভাঙা চাইনবোৰ্ডত অঞ্চলত।

# আমন্ত্ৰণমূলক টি-২০ মহিলা ক্ৰিকেট প্ৰতিযোগিতাত গুৱাহাটী দল চূড়ান্ত বিজয়ী

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আৰু অসম ক্ৰিকেট সন্থাৰ অধীনত নুৰুল আমিন ষ্টেডিয়ামত সদ্যসমাপ্ত আমন্ত্ৰণমূলক টি-২০ মহিলা ক্ৰিকেট প্ৰতিযোগিতাত গুৱাহাটী দলে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। চাৰিদলীয় এই প্ৰতিযোগিতাৰ শণিবাৰৰ ফাইনেলত গুৱাহাটীয়ে ঘৰুৱা নগাঁও জিলা দলক ২৫ ৰাণত পৰাজিত কৰে। খেলখনত গুৱাহাটীয়ে পোনতে বেট ধৰি হীৰামণি শইকীয়াৰ-৩১, স্নেহা সিনহাৰ-২২, বৈভৱী দাসৰ-১৫ আৰু চানভী জৈনৰ অপৰাজিত-১০ ৰাণৰ উল্লেখ্যনীয় বৰঙনিৰে ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত-১০৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত নগাঁৱৰহে দীপশিখা বৰদলৈয়ে দুটা, চয়নিকা শইকীয়া, জিণাক্ষী বৰুৱা আৰু ৰূপশিকা টেৰণপীয়ে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত নগাঁও দলে দিব্যাৰাণী বৰাৰ-২২ আৰু ভাগ্যশ্ৰী কাশ্যপৰ-১৬ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ৮১ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত গুৱাহাটীৰহৈ অৰ্পণা নন্দীয়ে চাৰিটা, স্নেহা সিনহাই দুটা, সৃষ্টি সিং আৰু বৈভৱী দাসে এটাকৈ উইকেট দখল কৰে। এই প্ৰতিযোগিতাৰ অন্তত সামৰণি অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰদীপ কুমাৰ হাজৰিকা, প্ৰশান্ত কুমাৰ বৰা, তপন কুমাৰ দাস, সাংগঠনিক সমিতিৰ সভাপতি তথা প্ৰাক্তন খেলুৱৈ নৱনীতা শৰ্মাৰ লগতে ক্ৰীড়া সংগঠক অসীম কুমাৰ ভাৰাল, উজ্জল বৰুৱা আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়। ফাইনেলৰ প্লেয়াৰ অব দ্যা মেচ গুৱাহাটীৰ অৰ্পণা নন্দী, প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্ট আৰু শ্ৰেষ্ঠা বেটাৰ গুৱাহাটীৰ স্নেহা সিনহা তথা শ্ৰেষ্ঠা বলাৰৰূপে নগাঁৱৰ দীপশিখা বৰদলৈ পৰিগণিত হয়।



আইপিএলত এমআইৰ সূৰ্যকুমাৰ যাদৱক ষ্টাম্পড চিএছকেৰ এমএছ ধোনীৰ



ৰাজস্থানৰ বিৰুদ্ধে আইপিএল ২০২৫ৰ প্ৰথমটো শতকীয় ইনিংছ ছানৰাইজাৰ্ছৰ নীতিশ ৰানাৰ

## নিৰাপত্তাৰ পৰিধি ভাঙি খেলপথাৰত উপস্থিত 'বিৰাট' অনুৰাগী

# ভৰিত ধৰি ক'লে- 'বিৰাট মোৰ ভগৱান, মই তেওঁৰ বাবে সকলো কৰিম'

**কলকাতা, ২৩ মাৰ্চঃ** ইডেন গাৰ্ডেনৰ গ্ৰীণ কাৰ্পেটত ধুমুহাৰ সৃষ্টি কৰিছে বিৰাট কোহলীয়ে। তেওঁৰ বেটিং প্ৰদৰ্শনে প্ৰতিদ্বন্দ্বী কলকাতা নাইট ৰাইডাৰ্ছক দিশহাৰা কৰি পেলাইছিল। আৰু সেই মুহূৰ্তত নিজৰ আৱেগক নিয়ন্ত্ৰণ কৰিব নোৱাৰি খেলপথাৰত প্ৰৱেশ কৰে এজন যুৱ অনুৰাগী! গেলেৰীৰ পৰা উঠি তেওঁ নিৰাপত্তাৰক্ষীৰ পৰিধি পাৰ হৈ বিৰাটৰ ঠিক সন্মুখতে উপস্থিত হয়। প্ৰিয় তাৰকাগৰাকীৰ ভৰিত ধৰি সেৱা কৰে অনুৰাগীজনে। শনিবাৰে কলকাতাত অনুষ্ঠিত আইপি লৰ উদ্বোধনী খেলৰ সময়ত সমগ্ৰ ষ্টেডিয়ামে এই ফেনবয় মুহূৰ্তৰ সাক্ষী হয়। অৱশ্যে নিৰাপত্তাৰক্ষীয়ে ক্ষিপ্ৰতাৰে হস্তক্ষেপ কৰি যুৱকজনক পথাৰৰ পৰা আঁতৰাই আনে। দেওবাৰে কলকাতা আৰক্ষীয়ে এদিনৰ ভিতৰতে যুৱকজনক আটক কৰে। জানিব পৰা মতে ধৃত ব্যক্তিজনৰ নাম ৰিটুইক পাখিৰা। ঘৰ বুৰ্ডৱানত। খেলপথাৰত অবৈধ প্ৰৱেশৰ অভিযোগত মৈদান থানাই আটক কৰে তেওঁক। তেওঁৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৩২৯ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। অৱশ্যে আটক হোৱাৰ পিছতো ৰিটুইকে প্ৰমাণ কৰিলে যে তেওঁ এজন প্ৰকৃত কোহলী অনুৰাগী! পুলিচৰ গাড়ীত উঠাই নিয়াৰ সময়তো তেওঁক "বিৰাট, মোৰ ভগৱান! মই তেওঁৰ বাবে যিকোনো কাম কৰিব পাৰো!' বুলি চিঞৰা শুনা যায়। বিৰাট কোহলীক ওচৰৰ পৰা চাবলৈহে বুৰদৱানৰ পৰা কলকাতালৈ আহিছিল ৰিটুৰিক। তেওঁৰ সপোন আছিল এবাৰ নিজৰ প্ৰিয় তাৰকাক স্পৰ্শ কৰা। সেই হেঁপাহ ইমানেই প্ৰবল হৈ পৰিল যে তেওঁ সকলো নিয়ম ভংগ কৰি খেলপথাৰত প্ৰৱেশ কৰে। কিন্তু কটকটীয়া নিৰাপত্তাৰ সৈতে এই অনুষ্ঠানৰ সময়ত নিয়ম ভংগ কৰাৰ বাবে কলকাতা আৰক্ষীয়ে কোনো ধৰণৰ ৰেহাই নিদিলে। উল্লেখ্য যে, আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটৰ পৰা বিৰাট কোহলীয়ে এবছৰ পূৰ্বেই অৱসৰ লৈছিল।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি